# Course 507

# বিদ্যালয় শিক্ষাত ৰাইজৰ বৰঙণি

ব্লক - 1

গোট - 3

টোকা

## গোট - 3 ঃ বিদ্যালয় শিক্ষাত ৰাইজৰ বৰঙণি

# গাঁথনি


3.0 পৰিচয়

3.1 শিকনীয় বিষয়বস্তু

3.2 কেচ। দুখন গাঁও আৰু এখন চহৰৰ কাহিনী

3.3 ৰাইজ কি?

3.4. ৰাইজৰ সহযোগিতাৰ গুৰুত্ব

3.5. বিদ্যালয় শিক্ষাত ৰাইজক জড়িতকৰণৰ বাবে চৰকাৰী প্ৰচেষ্টা

3.6 বিদ্যলয় শিক্ষাত ৰাইজে বৰঙণি যোগাব পৰা ব্যৱস্থা

3.7 বিদ্যালয় শিক্ষাৰ উন্নয়নৰ বাবে ৰাইজে কি ধৰণে বৰঙণি যোগাব পাৰে।

3.8 বিদ্যালয় অগ্ৰগতিত অভিভাৱক আৰু ৰাইজৰ অংশীদাৰিত্ব

3.9 স্থানীয় সমল হিচাপে ৰাইজক চিনাক্ত আৰু জড়িতকৰণ

কেচ 2 সূক্ষ্ম আঁচনিত ৰাইজ জড়িতকৰণ

3.9.1 শিকনত অংশগ্ৰহণ আৰু কৰ্ম কৌশল

3.9.2 চাপতি ৰাইজৰ দৰ্শন

3.9.3 গুটি, লাঠি বা মাৰি আৰু পতাকাৰ ব্যৱহাৰ

3.10 কেচ 3 ঃ ৰাইজ আৰু বিদ্যালয় শিক্ষাৰ সংগমস্থলী

3.11 ৰাইজৰ প্ৰতিনিধিত্ব কৰিব পৰা গাঁথনি

3.12 কেচ 4 ঃ আম্বেদকাৰ প্ৰাথমিক শালা, কৃষিৰাড়ী, নাভসাৰী, গুজৰাট, ফেব্ৰুৱাৰী 2006

3.13 কেচ 5 ঃ জবানটেকৰী প্ৰাথমিক বিদ্যালয়, ভদো

3.14 সংক্ষিপ্তকৰণ

3.15 পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিকতা

3.16 আপোনাৰ উত্তৰৰ অগ্ৰগতিৰ পৰীক্ষাকৰণ

3.17 গোটৰ শেষৰ অনুশীলন



টোকা

## 3.0 পৰিচয় ঃ

আঁচনি প্ৰস্তুতকৰ্তা, শিক্ষাবিদ আৰু শিক্ষাৰ লগত জড়িত অন্য ব্যক্তিসকলে এটা কথা প্ৰতীয়মান হৈছে যে শৈক্ষিক অনুষ্ঠানৰ প্ৰশাসন, ব্যৱস্থাপনা আৰু নিৰীক্ষণ আটাইকেইটা দিশতে ৰাইজে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে। এইটো অনস্বীকাৰ্য যে বিদ্যালয়ত ৰাইজ জড়িত হৈ শিক্ষাত নামভৰ্তি, স্থায়ীকৰণ আৰু গুণগত দিশত এক নাটকীয় প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুযায়ী স্থানীয় পৰ্যায়ত শৈক্ষিক অনুষ্ঠান পৰিচালনাত ৰাইজক বেছিকৈ ক্ষমতা প্ৰদান কৰিব লাগে। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে জিলা আৰু মহকুমা পৰ্যায়ত এক শুদ্ধৰূপত শৈক্ষিক ৰূপ ৰেখা, যেনে- জিলা শিক্ষা ব'ৰ্ড আৰু গাঁও শিক্ষা সমতি অনুমোদন দিছে যাতে প্ৰাথমিক শিক্ষাৰ পৰিচালনাত ৰাইজৰ সদস্যসকলে উল্লেখনীয় অৰিহণা যোগাব পাৰে। সংবিধানৰ 73 আৰু 74 অনুচ্ছেদ মৰ্মে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ যোগেদি শিক্ষাৰ বিকেন্দ্ৰীকৰণ ঘটাই ৰাইজক অধিক ক্ষমতা প্ৰদান কৰাৰ অনুমোদন দিছে। তেতিয়াৰে পৰা ভাৰতৰ বিভিন্ন প্ৰদেসত প্ৰাথমিক শিক্ষা পৰিচালনাত ৰাইজক জড়িতকৰণ কৰাৰ বাবে অত্যধিক ধনৰ বিনিয়োগ কৰা হৈছে। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ আৰু প্ৰাথমিক শিক্ষাত ৰাইজৰ অংশগ্ৰহণৰ দ্বাৰা পৰিকল্পনা আৰু ব্যৱস্থাপনাত আগভাগ লোৱাত সৰ্বশিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে। এই পাঠটোৰ যোগেদি আপুনি বিদ্যালয় শিক্ষাত ৰাইজৰ অবদান সম্পৰ্কে কিছু বুজিব পাৰিব। এই পাঠটোত বিদ্যালয় শিক্ষাত নামভৰ্তি, অংশগ্ৰহণ আৰু গুণগত শিক্ষাত ৰাইজৰ গুৰুত্ব সম্পৰ্কত অগ্ৰাধিকাৰ দিয়া হৈছে।

## 3.1 শিকনীয় বিষয়বস্তু ঃ

এই পাঠটোৰ অন্তত আপুনি সমৰ্থ হ'ব—

1. কিয় আৰু কেনেকৈ বিদ্যালয় শিক্ষাত ৰাইজ জড়িত হ'ব লাগে সেই সম্পৰ্কত বুজিব।
2. বিদ্যালয় শিক্ষাত ৰাইজৰ অন্তৰ্ভুক্তিকৰণৰ প্ৰয়োজনীয়তা বিশ্লেষণ কৰা
3. বিদ্যালয় শিক্ষাত ৰাইজ জড়িত হৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰাটো আলোচনা কৰা।
4. বিদ্যালয় শিক্ষাত বিদ্যালয় পৰ্যায়ৰ শিক্ষক আৰু প্ৰধান শিক্ষকসকলে পোৱা অভিজ্ঞতা সমূহ বিশেষকৈ বিদ্যালয়ত ৰাইজৰ অন্তৰ্ভুক্তিকৰণ সম্পৰ্কত আলোচনা কৰা।

বিদ্যালয় শিক্ষাত ৰাইজৰ ধাৰণা আৰু বিদ্যালয়ত ইয়াৰ অৱদান সম্পৰ্কত এই পাঠটোত ব্যাখ্যা কৰা হ'ব।

টোকা

## 3.2 কেচ 1 ঃ দুজন গাঁৱলীয়া ব্যক্তি আৰু এখন চহৰ ঃ

মোৰ নাম গীতা। মই শিক্ষা বিভাগত কাম কৰোঁ। এই প্ৰত্যশা আৰু উৎসাহৰে মই সাঞ্চী নামৰ গাঁওখনত প্ৰৱেশ কৰিছিলো। মই দেখিছিলো ল'ৰা ছোৱালীবোৰে খেলি আচে - মহিলাবোৰে পথাৰত কাম কৰি আছে, কিছুমান মানুহে সৰু নাও এখনত বহি পৰিচৰ্চা কৰি আচে। মই সিহঁতক সুধিছিলোঁ মণ্ডল সমল কেন্দ্ৰ বা খণ্ড সমল কেন্দ্ৰ মই ইয়াত বিচাৰি পামনে? সিহঁতে এজনে আনজনৰ মুখলৈ শূন্যদৃষ্টিৰে চালে। আন বহুত মানুহক সুধি মই মণ্ডল সমল কেন্দ্ৰ সমন্বয়কগৰাকীক লগ পাইছিলো। তেওঁ তেওঁৰ কাৰ্যকালৰ বাহিৰত বহি আছিল। মই তেওঁক কালা যে মই গাঁও শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যক লগ কৰিব কোজো। তেওঁ ক'লে যে তেওঁলোক বৰ ব্যস্ত মানুহ আৰু এজনকহে বিচাৰি পোৱা যায়। মই মণ্ডল সমলকেন্দ্ৰলৈ গৈছিলো আৰু এইটোৰ ভিতৰ ফালে আন্ধাৰ দেখিছিলো। মই তেওঁক সভা সমিতিৰ তথ্যবোৰ দেখুৱাব কৈছিলো আৰু দেখিছিলো সেইবোৰ ভালদৰে ৰাখিব পৰা নাই। তাৰোপৰি সবা-সমিতিবোৰৰ কোনো প্ৰস্তাৱেই নাই। মই দুজন পৰিচালনা সমিতিৰ সদস্যক লগ পাইছিলো যি দুজনাৰ ল'ৰা-ছোৱালী বৰ্তমান বিদ্যালয়ত পঢ়ি আছে। তেওঁলোকে জনাইছিল যে যোৱা ছমাহত তেওঁলোকে কোনো সভাতে উপস্থিত থকা নাই। মই গাঁওখনত থকা দুয়োখন বিদ্যালয় পৰ্যবেক্ষণ কৰিছিলো আৰু দেখিছিলো শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়েই নাই। মধ্যাহ্ন ভোজন খুওব হৈছে যদিও পৰ্যাপ্ত নহয়। মই বৰ আমনি পাইছিলো আৰু চিন্তা কৰিবলৈ নিদিলো কিয় মানুহবোৰ বিদ্যালয় পৰিচালনাত আগ্ৰহী নহয়। কিয় গাঁওখনত থকা VEC বা SMC সদস্যই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিৰীক্ষণ নকৰে।

কেইদিনমান পাছত মই সুৰক্ষা নামৰ গাঁওখনত গৈছিলো আৰু ইয়াৰ দৃশ্য চাবলৈ অন্য গাঁৱতকৈ বেলেগ আছিল। মই সিহঁতক মণ্ডল সমল কেন্দ্ৰলৈ যোৱা ৰাস্তাটো দেখুৱাব পাৰিবানে সুধিছিলো। এজন ডেকা ল'ৰাই মোক মণ্ডল সমল কেন্দ্ৰলৈ লৈ গৈছিল য'ত কিছুসংখ্যক শিক্ষকে তেওঁলোকৰ সমস্যা সম্পৰ্কে আলোচনা কৰি আছিল। মণ্ডল সমল কেন্দ্ৰ সমন্বয়কজনে মোক বিদ্যালয়খনলৈ লৈ গৈছিল য'ত বেছিভাগ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েই শ্ৰেণীকোঠাত আছিল আৰু কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী চিত্ৰকলাৰ কোঠাত আছিল। যেতিয়া মই তথ্যপাতিৰ কথা সুধিছিলো তেওঁলোকে তৎক্ষণাত কথাবোৰ মোক দেখুৱাইছিল। মই দেখি আচৰিত হৈছিলো যে তেওঁলোকে গাঁও শিক্ষা সমিতিৰ সকলোবোৰ তথ্যই ভালদৰে ৰাখিছে। বিদ্যালয় পৰিচালনা সমিতিৰ অভিভাৱক সদস্যসকলে বিদ্যালয় উন্নয়ন পৰিকল্পনা কেনেদৰে কৰিছিল সেই বিষয়ে বুজাই দিছিল। তেওঁলোকে এইটোও অৱগত কৰিছিল যে মধ্যাহ্ন ভোজনৰ বাচন-বৰ্তনবোৰ ৰাইজে বৰঙণি হিচাপে দিছে। কম সংখ্যক অভিভাৱকে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে গণিতৰ পাঠদান কৰিছিল। এজন অভিভাৱকে বিদ্যালয়ত মধ্যাহ্ন ভোজন নিৰীক্ষণ কৰিবলৈ যায় আৰু অন্য এজন অভিভাৱকে সংগীতৰ পাঠদান কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলে কয় যে তেওঁলোকে শিক্ষাৰ গুৰুত্বৰ বাবে বিদ্যালয়ত খেলা-ধূলাৰ ব্যৱস্থা



টোকা

কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষাৰ বাবে চিকিৎসকৰ সহায় বিচাৰে। অনিয়মীয়া ছাত্ৰ-ছাত্ৰীৰ গৃহ পৰিদৰ্শন কৰাত শিক্ষকক পৰিচালনা সমিতিৰ সদস্যসকলে সহায় কৰে। গাঁৰৰ ৰাইজে পৰিচালনা সমিতিৰ কাম-কাজত শলাগ লোৱাৰ লগতে VEC/SMC গঠনত সহায় কৰে।

মই চহৰাঞ্চলৰ ভালস্ক' বস্তি অঞ্চল ভ্ৰমণ কৰিছিলো। ৰাস্তাটো ঠেক আৰু মানুহবোৰে পানী সংগ্ৰহৰ বাবে শাৰী পাতি আছিল। তাৰ প্ৰস্ৰাৱগাৰ শৌচাগাৰৰ ব্যৱস্থা নাছিল আৰু ৰাস্তাটো লেতেৰা পানীৰে ভৰ্তি আছিল। মই সিহঁতক সুধিছিলো যে মইমণ্ডল সমলকেন্দ্ৰ সমন্বয়ক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ অভিভাৱক সদস্যসকলক লগ কৰিব বিচাৰো। তেওঁলোকে মোক মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক গৰাকীৰ ফোন নম্বৰটো দিলে আৰু অভিভাৱকবোৰক লগ কৰিব নোৱাৰিলো কাৰণ তেওঁলোকে কামলৈ গৈছে। পাছদিনা মই মণ্ডল সমল কেন্দ্ৰ সমন্বয়কগৰাকীক লগ কৰিলো আৰু লগতে দুজন অভিভাৱকক যেতিয়া মই তথ্যবোৰ চালো তেতিয়া দেখিলো বছৰেকত মাত্ৰ দুখন সভাৰহে তথ্য আছে আৰু অভিভাৱকসকলে তেওঁলোকৰ কামৰ বাবে বিদ্যালয় নিৰীক্ষণ কৰাটোত অপাৰগতা প্ৰকাশ কৰে। এন জি অ'ৰ এগৰাকী প্ৰতিনিধিয়ে মোক দেখুৱালে তাত এটা সেঁতু বন্ধন কেন্দ্ৰ চলি আছে। আনকি তেওঁলোকে অঞ্চলটোত কেতিয়াও নামভৰ্তি নকৰা আৰু আধাতে বিদ্যালয় সামৰা ল'ৰা-ছোৱালীৰ তথ্যৰ বাবে ঘৰে ঘৰে জৰীপ কৰা বুলি ক'লে। এন জি অ'টোৱেই শৈক্ষিক সজাগতা অনা সেঁতু বন্ধন কেন্দ্ৰটো চলাই নিয়া আৰু চৰকাৰী বিদ্যালয় নিৰীক্ষণ কৰি ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বঢ়োৱাত সহায় কৰা বুলি ক'লে। তেওঁলোকে আনকি আধাতে বিদ্যালয় সামৰা ল'ৰা - ছোৱালীৰ বাবে মুক্ত বিদ্যালয়ৰ যোগেদি পঢ়াই দশম শ্ৰেণী পৰীক্ষা দিয়াৰ বাবে সহায় কৰা বুলি কয়।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 1**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. দুখন গাঁও আৰু এখন চহৰৰ বিষয়ে পঢ়ি আপোনাৰ কেনে অনুভৱ হ'ল? গল্পটোত কোনখন গাঁও বা চহৰ আপোনাৰ নিজৰ ঠাইৰ লগত মিলে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

2. সুৰক্ষা গাঁওখনত ৰাইজ কেনেকৈ জড়িত হ'ব পাৰিছে? তেওঁৰ কাৰ্যপ্ৰণালী ব্যাখ্যা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................



টোকা

3. ভালস্ব’ বস্তি অঞ্চলটোত বিদ্যালয় আৰু ৰাইজৰ মাজৰ মধ্যস্থতাকাৰী কোন। আপোনাৰ অঞ্চলটো তেনেকুৱা সংগঠনৰ নাম উল্লেখ কৰি তেওঁলোকৰ বৰঙণি আলোচনা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

4. সুৰক্ষা গাঁওখন ‘সাঞ্জী’ গাঁওখনতকৈ কেনেকৈ বেলেগ হ’ল?

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 3.3 ৰাইজ কি?

ৰাইজখন মানুহৰ এটা দল বা গোট য’ত তেওঁলোকে সাধাৰণ উদ্দেশ্যলৈ একেলগে কাম কৰে। আমি সকলোৱেই সমাজত বাস কৰোঁ আৰু কিছুমান সাধাৰণ কাৰকে আমাক সমাজত বান্ধি ৰাখিছে —

- ভাষা
- ভূখণ্ড
- নীতি
- পৌৰাণিক ও সাংস্কৃতিক
- জীৱিকা
- উমৈহতীয়া লক্ষ্য

## 3.4 ৰাইজৰ অংশ গ্ৰহণৰ গুৰুত্ব

শৈক্ষিক বিকাশত ৰাইজৰ অভিব্যক্তি বঢ়োৱাটো বিশেষকৈ গাঁৱৰ দুখীয়া আৰু ভূমিহীন শ্ৰমিক, চহৰাঞ্চলৰ বস্তি আৰু ভূমিস্বত্ব নোহোৱাকৈ বেদখল হিচাপে থকা লোক, অনুসূচিত জাতি আৰু জনজাতি লোক আৰু মহিলাকলক খুবেই প্ৰয়োজন।

শিক্ষাত ৰাইজৰ সহযোগিতাৰ মূল উদ্দেশ্য হৈছে শিক্ষাৰ সাৰ্বজনীনকৰণ যাৰ অৰ্থ সকলো ল’ৰা-ছোৱালীৰ বাবে বিদ্যালয়ৰ পৰ্যাপ্ত সুবিধা থকা, সকলো ল’ৰা-ছোৱালীৰ সাৰ্বজনীন নাম ভৰ্তিকৰণও স্থায়ীকৰণ। শিক্ষাৰ যিকোনো কাৰ্যক্ৰমণিকাৰ লক্ষ্য হ’ল সমাজ তথা অভিভাৱকসকলক জড়িত কৰা যাতে পৰিৱৰ্তিত পৃথিৱীত ল’ৰা-ছোৱালীয়ে বৰ্তমানতকৈও ভালদৰে শিকিব পাৰে।

ৰাইজৰ অংশগ্ৰহণ মানে ফলপ্ৰসূ শৈক্ষিক ব্যৱস্থাত বিত্তীয়, মানৱ আৰু বস্তুগত সম্পদৰ যথা যথ ব্যৱহাৰ। অংশগ্ৰহণৰ আৰু প্ৰয়োজনীয়তা হ’ল প্ৰয়োজন অনুযায়ী


টোকা

শিক্ষাৰ অগ্ৰগতি সাধন, সমস্যা, আকাংক্ষা আৰু আগ্ৰহ আদি সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত বিশেষকৈ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ মাজত। অংশগ্ৰহণৰ যোগেদি শিক্ষাৰ বিকেন্দ্ৰীকৰণ কৰা বিশেষকৈ সকলোৰে সম সুবিধা পোৱাটো নিশ্চিত কৰা। শিক্ষা ব্যৱস্থাত সমাজত অসমতা দূৰীকৰণৰ বাবে অংশগ্ৰহণ হ'ল অনন্যা সদৃশ। প্ৰচেষ্টাক সফল কৰাৰ ই এক দৰকাৰী অংগ।

## 3.5 বিদ্যালয় শিক্ষাত ৰাইজক জড়িতকৰণৰ বাবে চৰকাৰী প্ৰচেষ্টা ঃ

শিক্ষা ব্যৱস্থাত বিভিন্ন চৰকাৰী তথ্য আৰু কৌশল প্ৰয়োগৰ দ্বাৰা বুজা যায় যে ৰাইজৰ ওচৰত অধিক দায়বদ্ধ। যেতিয়া শিক্ষাৰ সংশোধন আৰু পৰিবৰ্তন প্ৰক্ৰিয়াত বিকেন্দ্ৰীকৰণ আৰম্ভ হৈছিল তেতিয়া 1980 চনৰ মধ্যভাগত গোটেই দেশজুৰি চলা আলোচনাত ৰাইজৰ অংশগ্ৰহণ এটা প্ৰধান কাৰ্যসূচী হিচাপে পৰিগণিত হৈছিল। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (1986 আৰু 1992) আৰু সংবিধানিক পঞ্চায়তী ৰাজ ব্যৱস্থা (73তম আৰু 74 তম সাংবিধানিক খলপ), স্থানীয় স্বায়ত্তশাসিত পৰিষদ আদিয়ে বিদ্যালয় ব্যৱস্থাত ৰাইজক জড়িতকৰণ কৰি অধিক শক্তি প্ৰদানৰ ব্যৱস্থা কৰিছে।

- ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু কৰ্মসূচীয়ে প্ৰাথমিক শিক্ষাত জিলাভিত্তিক আঁচনি আৰু ব্যৱস্থাপনাত দক্ষতা বৃদ্ধি কৰি বিদ্যালয় শিক্ষা উন্নয়নত সমন্বিত আৰু বিকেন্দ্ৰীকৰণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। গোটেই শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ বাবে ৰাইজৰ অংশগ্ৰহণটোক এক মৌলিক অস্ত্ৰ হিচাপে আৰু যিকোনো প্ৰশাসনীয় স্তৰত দায়বদ্ধতা অনাটো গুৰুত্ব সহকাৰে লোৱা হৈছে। একেবাৰে তলৰ স্তৰত অধিক শক্তি প্ৰদানৰ বাবে ৰাইজৰ উন্নয়নক ৰাইজৰ সহযোগিতা লৈ অধিক আগবঢ়াই নিবলৈ চেষ্টা কৰা হৈছে। যিকোনো সিদ্ধান্ত গ্ৰহণত ৰাইজক অধিক গুৰুত্ব দিয়া হৈছে। বিদ্যালয়ৰ কাৰ্যপ্ৰণালী, বিদ্যালয় উন্নয়ন আদিত ৰাইজ অন্তৰ্ভুক্ত হোৱা উচিত।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মসূচীৰ ওপৰত ভিত্তি কৰি ৰাজ্য চৰকাৰসমূহে স্থানীয় নিকায়, যেনে - গাঁও শিক্ষা সমিতি (VEC) আৰু অন্য তেনেকুৱা পদক্ষেপ গ্ৰহণ কৰিছে।
- গাঁও শিক্ষা সমিতিৰ প্ৰধান দায়বদ্ধতা হ'ল সূক্ষ্ম পৰিকল্পনা গ্ৰহণ, বিদ্যালয় মেপিং ঘৰে ঘৰে কৰা জৰীপ আৰু অভিভাৱকৰ লগত পৰ্যায়ক্ৰমে আলোচনা কৰা। সমিতিৰ অন্য কাম কাজৰ ভিতৰত ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰা আৰু বিদ্যালয়ৰ দৈনিক কাম-কাজৰ উন্নয়নত শিক্ষক নিৰ্দেশক আৰু ৰাইজক জড়িত কৰোৱা।
- শিক্ষাত ৰাইজৰ অংশগ্ৰহণ তলৰ স্তৰত থকা বিভিন্ন গাঁথনি, যোগ, গাঁও শিক্ষা সমিতি (VEC), বিদ্যালয় পৰিচালনা সমিতি (SMC), মাতৃ শিক্ষক সন্থা (MTA), অভিভাৱক শিক্ষক সন্থা (PTA), মাতৃগোট (MG), মাতৃ নিৰীক্ষণ গোট (WMG) আদি মজবুত কৰি শিশুৰ প্ৰচাৰ আৰু প্ৰসাৰত উল্লেখযোগ্য বৰঙণি যোগায়। বিভিন্ন



টোকা

শৈক্ষিক কাৰ্যক্ৰম, যেনে জিলা প্ৰাথমিক শিক্ষা আইন (DPEP), সৰ্বশিক্ষা অভিযান আদিয়ে BEC, PTA আদি গঠন কৰি প্ৰাথমিক শিক্ষাত এইবিলাকক জড়িত কৰিছে। এতিয়ালৈ BEC, PTA ৰাজ্যৰ সকলো বিদ্যালয়তে গঠন কৰি তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব পৰ্যবেক্ষণ কৰা হৈছে।

- শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন 2009য়েও সকলো বিদ্যালয়তে বিদ্যালয় পৰিচালনা সমিতি গঠন কৰি আৰু লগতে গাঁও শিক্ষা সমিতি/ৱাৰ্ড শিক্ষা সমিতি গঠন কৰি বিদ্যালয়ৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাত কাম কাজবোৰ নিৰ্দিষ্ট কৰি দিয়ে যিটো আমি গোট 4ত বিতং আলোচনা কৰিম।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. বিদ্যালয় শিক্ষাত ৰাইজৰ সহযোগিতাৰ প্ৰয়োনজনীয় আলোচনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. শিক্ষাৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাত গাঁও শিক্ষা সমিতিৰ কাৰ্য আলোচনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 3.6 বিদ্যালয় শিক্ষাত ৰাইজে বৰঙণি যোগাব পৰা ব্যৱস্থা

ৰাইজৰ ওচৰলৈ যোৱা
সিহঁতক ভাল পাবলৈ শিকা
সিহঁতৰ লগত একেলগে জীৱন নিৰ্বাহ কৰা।

সিহঁতৰ লগত শিকা
সিহঁতৰ লগত নিজৰ জ্ঞানৰ সংযোগ ঘটোৱা।
সিহঁতৰ কি আছে তাৰ পৰা আৰম্ভ কৰা।
তেতিয়া তুমি তোমাৰ চাকৰি শেষ কৰিব
তেতিয়া মানুহহে ক'ব
আমি সকলো নিজৰ বাবেই কৰিছিলো।

- ৰ

## বিদ্যালয়ৰ শিক্ষাত ৰাইজৰ বৰঙণি



টোকা

ৰাইজ জড়িত কৰণ শিশুৰ দায়িত্ববোধ বঢ়ায় তোলে। ই অভিভাৱক/ৰাইজক শিশুৰ শিকনত সক্ৰিয়ভাৱে গ্ৰহণ কৰি আৰু লগতে বিদ্যালয় ভ্ৰমণ কৰি পৰিষ্কাৰ পৰিচ্ছন্ন আৰু শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া। শিশুৰ পাৰদৰ্শিতা সম্পৰ্কে শিক্ষকৰ লগত আলোচনা কৰা আৰু ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা দিয়াত সহায় কৰা আদি দিশত ভূমিকা ল'ব পাৰে। ৰাইজে বিভিন্ন পদ্ধতিৰে জড়িত হ'ব পাৰে।



- বিদ্যালয় বহিৰ্ভূত শিশুৰ বাবে ঘৰে ঘৰে জৰীৰ কৰা, শিশু শ্ৰমিক, নামভৰ্তিকৰণৰ বাবে বিভিন্ন সজাগতা সভা অনুষ্ঠিত কৰা
- বিদ্যালয় মেপিং অনুশীলন কাৰ্যসূচীত অংশগ্ৰহণ কৰা, বিদ্যালয়ৰ আন্তগাঁথনিৰ পৰ্যাপ্ততা, যেনে - বিদ্যালয় গৃহ, শ্ৰেণী কোঠা, প্ৰস্ৰাৱগাৰ আৰু বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা আদি।
- বিভিন্ন দান বৰঙণি, টকা পইচা, বস্তু, শ্ৰমদান আদি।
- বিদ্যালয়ত অভিভাৱকৰ সভাৰ উপস্থিতি চোৱা, বিদ্যালয় ভ্ৰমণ কৰি পৰিষ্কাৰ পৰিচ্ছনতা আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়া চোৱা আৰু ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা শিক্ষকৰ লগত আলোচনা কৰা।
- বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু শিক্ষণ-পদ্ধতি কেনেদৰে বঢ়াব পাৰি তাত জড়িত হৈ।
- শিক্ষকৰ অনুপস্থিতিত পাঠদান কৰাৰ লগতে সংগীত/বৃত্তিমুখী শিক্ষা আদিত জড়িত হোৱা।
- ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ উপস্থিতি নিৰীক্ষণ কৰা।
- বিনামূলীয়া পাঠ্যপুথি, ইউনিফৰ্ম, মধ্যাহ্ন ভোজন নিৰীক্ষণ কৰা।

শিক্ষাত ৰাইজে কি ধৰণে জড়িত হ'ব তাৰ এক নিৰ্দিষ্ট মাত্ৰা আছে। তাৰোপৰি বিভিন্ন সমলবোৰক কেনেকৈ জড়িত কৰাব, শ্ৰেণীকোঠা তৈয়াৰ কৰিব, পাঠ্যক্ৰম প্ৰস্তুতিত সহায় কৰা আৰু বিভিন্ন কৌশল অৱলম্বনত সহায় কৰা আদি তেওঁলোকে আনকি বিদ্যালয়ৰ ক্ৰিয়াকলাপতো চোৱা চিতা কৰিব পাৰে। তলৰ (টেবুলখনৰ সহায়ত আমি ইয়াৰ ব্যাখ্যা কৰিব পাৰো।



টোকা

**শিক্ষাত ৰাইজৰ সহযোগিতাৰ ডিগ্ৰী আৰু মাত্ৰাৰ মেট্ৰিক্স ঃ**

| ৰাইজৰ ভূমিকা শিক্ষামূলক কাৰ্য | কামৰ ব্যৱহাৰ | সমল ব্যক্তিৰ বৰঙণি | সভাৰ উপস্থিতি | বিষয় ভিত্তিক মতামত জড়িতকৰণ | আদান প্ৰদান কৰোতাক | শক্তি প্ৰদান ও সিদ্ধান্ত গ্ৰহণ | প্ৰত্যেক অৱস্থাতে বাস্তৱসন্মত কাৰ্য আৰু সিদ্ধান্ত গ্ৰহণ |
|---|---|---|---|---|---|---|---|
| কৌশল অৱলোকন | | | | | | | |
| সমলৰ ব্যৱহাৰ | | | | | | | |
| পাঠ্যক্ৰম উন্নয়নত | | | | | | | |
| শিক্ষকৰ নিয়োগ আৰু প্ৰয়োগ | | | | | | | |
| পৰ্যবেক্ষণ | | | | | | | |
| দৰমহা প্ৰদান | | | | | | | |
| শিক্ষক প্ৰশিক্ষণ | | | | | | | |
| পাঠ্যপুথিৰ | | | | | | | |
| অলংকৰণ | | | | | | | |
| পাঠ্যপুথি বিতৰণ | | | | | | | |
| চাৰ্টিফি কেট প্ৰদান | | | | | | | |
| গৃহ আৰু তাৰ ব্যৱহাৰ | | | | | | | |

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 4**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. বিদ্যালয় শিক্ষাত ৰাইজে কেনেদৰে বৰঙণি আগবঢ়াব পাৰে?

.................................................................................................................

.................................................................................................................

.................................................................................................................

2. আপোনাৰ অঞ্চলৰ পৰা তথ্য সংগ্ৰহ কৰক আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিকাশৰ বাবে ৰাইজে কি ধৰণে অংশগ্ৰহণ কৰে? ব্যাখ্যা কৰক।

.................................................................................................................

.................................................................................................................



টোকা

## 3.7 বিদ্যালয় শিক্ষা উন্নয়নৰ বাবে ৰাইজৰ ভূমিকা কি হ'ব লাগে?

ৰাইজে বিদ্যালয়ৰ অধ্যক্ষ আৰু অন্য শিক্ষকৰ লগত একেলগে কাম কৰি বিদ্যালয় এখনৰ অগ্ৰগতি সাধন কৰিব পাৰে। ৰাইজে তলত দিয়া ধৰণে বিদ্যালয় উন্নয়নৰ বাবে কাম কৰিব পাৰে—

- শিক্ষা সম্বন্ধীয় সজাগতা বৃদ্ধি আৰু নামভৰ্তিৰ সংখ্যা বৃদ্ধি কৰা।
- বিদ্যালয় পৰিচালনা কৰাত গাঁও শিক্ষা সমিতি/ৱাৰ্ড শিক্ষা সমিতি/বিদ্যালয় পৰিচালনা সমিতিক আবেদন জনোৱা।
- বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ দৈনিক উপস্থিতি বঢ়োৱা।
- বিদ্যালয়ত ছোৱালীৰ স্থিৰকৰণ কৰা
- শিক্ষকে শ্ৰেণীত কৰা পাঠদান কাৰ্য চোৱা চিতা কৰিবলৈ অভিভাৱকৰ সংখ্যা বঢ়োৱা।
- বিদ্যালয়ত শিক্ষকৰ মহানুভৱতা বঢ়োৱা।
- বিদ্যালয়ত বিত্তীয় সমলৰ যথাযথ প্ৰয়োগ চোৱা চিটা কৰা।
- শিক্ষক মকৰল আৰু পাঠদানত সহযোগিতা কৰা।
- বিদ্যালয়ৰ স্থান আৰু কৰ্মসূচী নিৰ্ণয়ত সিদ্ধান্ত গ্ৰহণ কৰা।
- শিক্ষকৰ উপস্থিতি আৰু পাৰদৰ্শিতাত নিৰীক্ষণ আৰু ব্যৱস্থাৱলী গ্ৰহণ
- ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ সভাত উপস্থিত থাকি সহযোগিতা আগবঢ়োৱা।
- কৌশলগত নিৰ্দেশনা ও স্থানীয় সাংস্কৃতিক বা বাতৰি প্ৰদান কৰা।
- ছাত্ৰ-ছাত্ৰীক অধ্যয়নত সহায় কৰা
- শৈক্ষিক সমস্যাৰ প্ৰধান কাৰক উদঘাটন কৰি সমাধানৰ চেষ্টা কৰা।

## 3.8 অভিভাৱক আৰু ৰাইজৰ সহযোগিতাত বিদ্যালয়ক আগুৱাই নিয়াৰ পৰিকল্পনা ঃ

গুণগত শিক্ষা উন্নীতকৰণৰ বাবে বিদ্যালয় আৰু ৰাইজে একেলগে কাম কৰাটো বৰ্তমানৰ এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। যিহেতু বিদ্যালয়খন সমাজৰ এক অংগ, সেইবাবে সকলো বৈষম্য আঁতৰাই এক ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যন্ত কৰি তুলিবলৈ আৰু এক স্বাস্থ্য সন্মত পৰিৱেশ গঢ়ি তুলিবলৈ বিদ্যালয়সমূহে নিজাকৈ প্ৰচেষ্টা হাতত ল'ব লাগে। এনেবোৰ কাৰণতে বহুতো বিদ্যালয়ে তেওঁলোকৰ মিছন কৃতকাৰ্য কৰাৰ বাবে ৰাইজৰ সমল যেনে পৰিয়ালৰ সদস্য, ওচৰ-চুবুৰীয়া, ব্যৱসায়িক গ্ৰুপ, ধৰ্মীয় অনুষ্ঠান, চৰকাৰী আৰু প্ৰাইভেট সংগঠন, পুথিভঁৰাল, সম্প্ৰদায় ভিত্তিক সংগঠন, স্থানীয় প্ৰশাসন, পৌৰ নিকায় আদিৰ সহায় লয়। যদি ৰাইজ বিজ্ঞানসন্মত জড়িত হয় তেন্তে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আহিবই। ৰাইজে সক্ৰিয়ভাৱে বিদ্যালয়ত আত্মনিয়োগ কৰিলে এক প্ৰত্যাহ্বান হিচাপে তেওঁলোকে বিদ্যালয়ত কৃতকাৰ্যতাৰ মুখ কেনেকৈ দেখিলে, বা যিকোনো বৰঙণি আগবঢ়াই ছাত্ৰ-ছাত্ৰীৰ সাফল্য দেখি নিজকে গৌৰৱবোধ কৰিব পাৰে।



টোকা

বিদ্যালয়সমূহে যদি বিদ্যাময় আৰু ৰাইজৰ মাজত সংযোগ স্থাপন কৰিব পাৰে তেন্তে তলৰ দিশবোৰৰ সহায়ত পাৰদৰ্শিতা লভিব পাৰে—

- অভিভাৱকে নিয়মীয়াকৈ আৰু পৰিস্থিতি বুজি বিদ্যালয়ৰ লগত যোগাযোগ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ দিশবোৰ আনৰ লগত উপস্থাপন কৰিব পাৰে। শিক্ষাকেও ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালক শিকনীয় বিষয়বস্তু, বিদ্যালয় ৰুটিন আৰু ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ তথ্য জনাব পাৰে। বিদ্যালয়ে অনুষ্ঠিত কৰা খেলা-ধূলা আৰু সাংস্কৃতিক কাৰ্যসূচীত অভিভাৱকে ভাগ ল'ব পাৰে।
- বিদ্যালয়খন হ'ল এজন সুদক্ষ পৰিচালকৰ দৰে। ৰাইজে সেইবোৰ বিদ্যালয়ত বৰঙণি যোগাব পাৰে য'ত বিদ্যালয় পৰিচালনা সমিতি গঠন হৈছে তাত অভিভাৱকৰ পৰা প্ৰতিনিধি ৰখা হৈছে। নিয়মীয়াকৈ এচ এম চি সভা অনুষ্ঠিত কৰি পৰামৰ্শ দান কৰিব পাৰে।
- বিদ্যালয়ে অভিভাৱকক জড়িত কৰি উৎসাহিত কৰিব পাৰে। অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মাক দেউতাক বিদ্যালয়লৈ আহিলে শিক্ষকে অভিনন্দন জনাই প্ৰধান শিক্ষকৰ কোঠাত বহিবলৈ দি তেওঁলোকৰ পৰামৰ্শ লৈ কাৰ্যকৰী কৰিব পাৰে।
- শিক্ষকে অভিভাৱকক নিৰ্দেশনা আৰু উপদেশ দিবলৈ সাজু। এজন অভিভাৱক যদি শিশুৰ প্ৰতি সজাগ অথবা এটি শিশুৰ বিশেষ প্ৰয়োজন আছে তেন্তে শিক্ষকে তেওঁলোকক নিৰ্দেশনা আৰু পৰামৰ্শ দিবলৈ সাজু আছে। শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে অভিভাৱকৰ লগত তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠা পৰিদৰ্শন কৰি আৰু লগতে গৃহকৰ্ম পৰীক্ষা কৰি কি পালে সেই বিষয়ে কথা পাতিবলৈ সাজু আছে। সকলো অভিভাৱক আনকি অশিক্ষিত হ'লেও সকলোকে সম সন্মান জনোৱা উচিত।
- অভিভাৱকে বিদ্যালয়ৰ লগত শিকনৰ কৌশল আৰু জ্ঞান সম্বন্ধে আলোচনা কৰিব পাৰে। অভিভাৱকে স্বেচ্ছাসেৱী হিচাপে শ্ৰেণীকোঠাৰ শিকন সঁজুলি বনোৱা, ক্ষেত্ৰভ্ৰমণত যোৱাত সহায় কৰা, খেলা-ধূলা, স্বাস্থ্য সন্মত পৰিৱেশ ৰখা, হাত থোৱা পদ্ধতি, ডাষ্টবিন বনোৱা, নিৰ্দিষ্ট বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়া বিদ্যালয়ৰৰ বাৰ্ষিক সভাপতা, বিভিন্ন দিৱস উদ্‌যাপন আদি বিষয়বোৰত কাম কৰিব পাৰে।

## 3.9 ৰাইজে কেনেকৈ স্থানীয় সমল চিনাক্ত কৰি বিদ্যালয়ত জড়িতকৰণ কৰিব

**কেচ 2 ঃ** সূক্ষ্ম কাৰ্যক্ৰমত ৰাইজৰ অন্তৰ্ভুক্তিকৰণ কাৰলি গাঁৱত মই স্বেচ্ছাসেৱক হিচাপে কাম কৰি আছো। ইয়াৰ জনসংখ্যা 5300 আৰু অষ্টম শ্ৰেণী পৰ্যন্ত ইয়াত এখনেই বিদ্যালয় আছে। গাঁওখনৰ মূল সমস্যা হৈছে আটাইকেইটা চুবুৰীতে বিদ্যালয় নাই আৰু বেছিভাগ পৰিয়ালেই দৰিদ্ৰ সীমাৰেখাৰ তলৰ প্ৰায় 25 শতাংশ ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত নামভৰ্তি নকৰে আৰু 30 শতাংশ ল'ৰা-ছোৱালীয়ে নৱম শ্ৰেণী নোপোৱাকৈ বিদ্যালয় আধাতে সামৰি ওলাই যায়। মই প্ৰশিক্ষণ পোৱাৰ পাছত অনুভৱ কৰিছিলো এই সমস্যাটো সমাধান কৰিবলৈ মই আন ৰাইজৰ কিদৰে জড়িত কৰিব



টোকা

পাৰো। এইটো কৰিবলৈ গাঁওখনত কোনো সমল আছেনে?

কেইজন গাঁৱৰ ৰাইজক লগ কৰি সমস্যাটোৰ কথা কোৱাত তেওঁলোকে মোক সহায় কৰিম বুলি ক'লে। প্ৰথমে মই গাঁওখনৰ সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰিছিলো। গাঁও শিক্ষা সমিতিৰ সহায়ত এখন মানচিত্ৰ আঁকি তাত কিমানটা ঘৰ, অনুষ্ঠান, ধৰ্মীয় স্থান, কুঁৱা, স্বাস্থ্য কেন্দ্ৰ, ৰাজহুৱা ঘৰ আদি চিহ্নিত কৰা হ'ল। এইবোৰ চিনাক্ত কৰিবলৈ আমি বিভিন্ন ৰং, শিল, পাত, পেপাৰ ফ্লেগ অন্য কিছু সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল।

এই মানচিত্ৰখনতে আমি মুঠ জনসংখ্যাৰ লগতে 6-17 বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ তথ্যও অন্তৰ্ভুক্ত কৰিছিলো। লগতে কোনটো পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে বিদ্যালয়লৈ যায় আৰু কোনেটা পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে বিদ্যালয়লৈ নাযায় বা আধাতে বিদ্যালয় সামৰে সেইটোও চিনাক্ত কৰা হৈছিল।

এই ধৰণৰ তথ্যই আমাক এটা ধাৰণা কৰাৰ ক্ষেত্ৰত বহুত পৰিমাণে সহায় কৰিলে।

মানচিত্ৰখনত তলত উল্লেখিত তথ্যসমূহ অন্তৰ্ভুক্ত কৰা হৈছে—

- গাঁওখনত থকা ঘৰৰ সংখ্যা আৰু অৱস্থিতি।
- গাঁওখনৰ আন্তঃগাঁথনি অংগনৱাী, প্ৰাক প্ৰাথমিক বিদ্যালয়, বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ আদি।
- প্ৰতিঘৰ মানুহৰ পৰিয়ালৰ সংখ্যা
- প্ৰতিটো পৰিয়ালৰ বিদ্যালয়লৈ যোৱা আৰু নোযোৱা শিশুৰ সংখ্যা
- প্ৰতিটো পৰিয়ালৰ পুৰুষ আৰু মাইকী প্ৰাপ্তবয়স্কৰ শিক্ষিত/অশিক্ষিতৰ সংখ্যা।

মানচিত্ৰখন অংকনৰ পাছত আমি উপলব্ধি কৰিলো যে প্ৰয়োজন অনুসৰি গাঁওখনত বিদ্যালয়ৰ নাই আৰু বিদ্যালয় খোলাৰ প্ৰয়োজন আছে। আমি গাঁৱৰ ৰাইজৰ লগত বহি গাঁওখনৰ শৈক্ষিক সমস্যা, বিশেষকৈ বিদ্যালয়ৰ পৰ্যাপ্ততা আৰু ল'ৰা-ছোৱালীৰ অংশগ্ৰহণৰ ওপৰত আলোচনা কৰিলো। আলোচনাৰ অন্তত শিক্ষিত সমস্যা সন্দৰ্ভত ৰাইজক বুজি উঠাত সহায় কৰিলে আৰু ৰাইজে আৰু এখন নতুন বিদ্যালয় খোলাৰ বাবে ঠাই নিৰ্ণয়, বিদ্যালয়ৰ সময় নিৰ্ধাৰণ, স্থানীয় শিক্ষকৰ নিযুক্তি আদি সন্দৰ্ভত পৰামৰ্শ দিলে।




মানচিত্ৰখন পাটনা ইণ্ডিয়া ইনষ্টিটিউটৰ



টোকা

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 3**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. শৈক্ষিক স্থিতি সম্বন্ধে বুজি উঠাৰ বাবে কি ধৰণৰ তথ্যৰ প্ৰয়োজন

● অশিক্ষিতৰ সংখ্যা ..........................................................................................

2. গাঁৱৰ মানচিত্ৰ তৈয়াৰ কৰাত কোনে আমাক সহায় কৰিব।

● ৰাইজৰ সদস্যই ..........................................................................................

● গাঁও/ৱাৰ্ডৰ উন্নয়নৰ পদ্ধতিগত মানচিত্ৰই হৈছে সূক্ষ্ম আঁচনি। সূক্ষ্ম আঁচনি কৰাত সহায় কৰে—

● জৰীপ অংশগ্ৰহণকাৰী শিকন আৰু কাৰ্য কৌশল

● লক্ষিত গোটৰ ওপৰত আলোচনা দৃষ্টিভংগী

● ঘৰে ঘৰে জৰীপ পৰ্যবেক্ষণ

## 3.9.1. অংশগ্ৰহণকাৰী শিকন আৰু কাৰ্যকৌশল ঃ

এই কৌশল তথ্য যোগাযোগৰ বাবে প্ৰতীক চিহ্ন ব্যৱহাৰ প্ৰয়োগ কৰা হয়। এই পদ্ধতিটো সুবিধাজনক কিয়নো অশিক্ষিত প্ৰাপ্তবয়স্ক আৰু ল'ৰা-ছোৱালীৰ অংশগ্ৰহণৰ লগতে ৰাইজে সক্ৰিয় অংশগ্ৰহণ ও বৰঙণি যোগোৱাত উৎসাহী কৰিব।

## 3.9.2. চাপতি ৰাইজৰ দূৰদৰ্শিতা ঃ

চাপতি এটা প্ৰতীক চিহ্ন হিচাপে অন্তৰ্ভুক্ত হৈছে। চাপতি হৈছে ঘূৰণীয়া চেপেটাযুক্ত এটা ব্ৰেড যি ভাৰতীয় মানুহে দৈনিক খায়। ৰাইজৰ অন্তৰ্ভুক্তিৰ বাবে দূৰদৰ্শিতা সূচক এক কৰ্মশালাত সমল ব্যক্তিসকলে সৰু, মধ্যমীয়া আৰু ডাঙৰ টুকুৰাযুক্ত চাপতিৰ দৰে কিছুমান কাৰ্ড ব'ৰ্ড ভগাই দিলে। পাছত তেওঁলোকে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ সমস্যাসমূহ ডাঙৰ চাপতিৰ লগত সংযোগ কৰিব দিলে আৰু কম সমস্যাবোৰ সৰু চাপতিৰ লগত সহযোগ কৰিব দিলে। এই কৰ্মশালাটোৰ পাছৰ পৰাই চাপতিক পোষ্টাৰত লগাই ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানবোৰত আঁৰি থোৱাৰ ব্যৱস্থা কৰিলে যাতে ৰাইজৰ সচেতনতা তথা সহযোগিতা বৃদ্ধি হয়।

## 3.9.3. গুটি, লাঠি আৰু পতাকা ব্যৱহাৰ কৰি

সময়ে সময়ে সমস্যাযুক্ত বিভিন্ন তথ্য প্ৰকাশ কৰিবলৈ প্ৰশিক্ষক/সমল ব্যক্তিয়ে ঋতুজনিত চিত্তীয় কৌশল প্ৰয়োগ কৰে। তথ্য সংগ্ৰহৰ এই পদ্ধতিয়ে ৰাইজক ঋতুজনিত মেট্ৰিক্সত স্থাপিত কৰাৰ বাবে অন্তৰ্ভুক্তি কৰে যিবোৰ গুটিৰ দৰে কিছুমান সৰু বস্তু যিবোৰ খ্যাত। আৰম্ভ কৰিবলৈ প্ৰশিক্ষকে এটা মেট্ৰিক্স আঁকি লওক। প্ৰতিটো শাৰীতে এটা সমস্যা দেখুৱাও, যেনে - বিদ্যালয় নথকা, বহুত ল'ৰা-ছোৱালী থকা বিদ্যালয়, কম শিক্ষক থকা বিদ্যালয় আৰু প্ৰতিটো স্তম্ভক বছৰটোৰ একোটা মাহ থাকিব। প্ৰতিজন অংশগ্ৰহণকাৰীয়ে বাৰটা গুটি ল'ব আৰু সঠিক স্থানত এটি গুটিৰ ওপৰত



টোকা

বছৰটোৰ পোৰা সমস্যা এটা ৰাখিব। ওপৰৰ দুটা উদাহৰণ আলোচনা কৰিলে পি এল এ কৌশল যোগাযোগ তথ্যৰ বাবে এটা চিহ্ন হিচাপে ব্যৱহাৰ হয়। এই পদ্ধতিটো এই কাৰণে সন্তোষজনক যে ইয়াত অশিক্ষিত লোকেও অংশগ্ৰহণ কৰিব পাৰে। একেদৰে 'কমিউনিটি মেপিং' অনুশীলনে অকল তথ্যই প্ৰকাশ নকৰে বৰঞ্চ মানুহৰ মাজত আলোচনাৰ অৱকাশো নিৰ্ণয় কৰে। প্ৰশিক্ষকে পোনপটীয়াকৈ মাটিত ৰাইজৰ এখন মানচিত্ৰও অংকন কৰিব পাৰে। প্ৰতিটো পৰিয়ালৰ দৰকাৰী, ভৌগোলিক তথ্যৰ যোগাযোগৰ বাবে পাত, লাঠি, পিবলচ আদি ব্যৱহাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে এজনী মাইকী মানুহ তেওঁৰ গিৰিয়েক, মাক আৰু দুটা ল'ৰা-ছোৱালীৰ লগত থাকিলে সেইটো এটা লাঠিৰ (মতা মানুহ) ওপৰত দুটা পাত (মাইকী মানুহ) আৰু দুটা পিবলচ (ল'লা-ছোৱালী) মানচিত্ৰখনত বন্ধ হিচাপে ৰাখিব। প্ৰতীক চিহ্ন ব্যৱহাৰ কৰি পতাকাৰ দৰে তেওঁলোকে ল'ৰা-ছোৱালী চিনাক্ত কৰিব সেইবোৰ পৰিয়ালৰ পৰা য'ত ল'ৰা-ছোৱালীয়ে বিদ্যালয়লৈ নাযায়। একেদৰে আধাতে বিদ্যালয় এৰা ল'ৰা-ছোৱালীৰ বাবে বিভিন্ন প্ৰতীক ব্যৱহাৰ কৰিব। এই কৌশলবোৰে স্থানীয় সমস্যা চিনাক্ত কৰাত আৰু ৰাইজক জড়িত কৰাত সহায় কৰিব।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 5**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. শিক্ষাৰ আঁচনিৰ বাবে মানচিত্ৰখন কেনেদৰে উপযোগী কৰি তুলিব?

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. গাঁও/ৱাৰ্ডৰ তথ্য উদ্‌ঘাটন কৰিবলৈ বিভিন্ন পদ্ধতি ব্যাখ্যা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

3. পি এল এ কৌশলৰ সুবিধা লিখি বিভিন্ন প্ৰকাৰৰ পি এল এৰ প্ৰকাৰ আলোচনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

4. সুৰক্ষা গাঁওখন 'সাঞ্জী' গাঁওখনতকৈ কেনেকৈ বেলেগ হ'ল?

..........................................................................................................

..........................................................................................................



টোকা



## 3.5.1. Case 3: ৰাইজ আৰু বিদ্যালয় শিক্ষাৰ মুখামুখি

ৰাষ্ট্ৰীয় নগৰাঞ্চল পৰিক্ৰমা প্ৰতিষ্ঠানে (NIUA) প্ৰাথমিক শিক্ষা নিশ্চিত প্ৰকল্প (PEEO)ত PLA পদ্ধতিৰে অনুশীলন কৰিছিল, PEEPৰ বিশেষ উদ্দেশ্যবোৰ ফলৱতী কৰিবলৈ, এনে অনুষ্ঠানিক শিক্ষক পদ্ধতিত সাৰ্বজনীন নামভৰ্তি আৰু থকাৰ ব্যৱস্থা, গুণগত শিক্ষা প্ৰদান, বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণ আদিৰ ব্যৱস্থা কৰিছিল। শিক্ষাত ৰাইজ তথা ওচৰ চুবুৰীয়াৰ অংশগ্ৰহণেৰে আঁচনি, ব্যৱস্থাপনা আৰু শিক্ষা প্ৰদানত সকলোকে জড়িতকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। ৰাইজ আৰু শিক্ষা প্ৰশাসকসকলৰ মাজত আন্তঃদৃষ্টি সুদৃঢ় কৰাটোৱে উদ্দেশ্য আছিল।

ৰাইজৰ ব্যক্তিৰ দ্বাৰা ক্ষেত্ৰ ভ্ৰমণ আৰু সভা সমিতিত যোগদান কৰাই তেওঁলোকৰ স্ব-বাস্তৱিকতা অনাটো খুবেই জৰুৰী।

প্ৰাথমিক শিক্ষা নিশ্চিতকৰণ প্ৰকল্পৰ যোগেদি ৰাইজৰ নেতাবোৰক লগ কৰি PEEPৰ উদ্দেশ্যবোৰ ক'বলৈ ক্ষেত্ৰ সহায়কসকলক প্ৰশিক্ষণ দিয়া হৈছিল। ৰাইজৰ লগত নিবিড় সম্পৰ্ক স্থাপনৰ বাবে তেওঁলোকৰ লগত ৰেলী, শ্লোগান, সমদল, দেৱাল লিখন আদিত জড়িত হ'ব লাগে। এই পদ্ধতিত ৰাইজৰ ব্যক্তি বিশেষসকলে বিশেষ ক্ষেত্ৰত সহায় কৰাৰ বাবে জড়িত হৈ পৰে। শিক্ষাৰ গুৰুত্বতাৰ বাবে বিভিন্ন সজাগতাৰ উপৰিও এইবোৰে ৰাইজক আত্মবিশ্বাসেৰে আৰু এখোজ আগুৱাই যোৱাত সহায় কৰি এসময়ত ৰাইজে সমল ব্যক্তি আৰু ক্ষেত্ৰ সহায়কসকলক বিচাৰি উলিয়াই তেওঁলোকৰ অন্তৰ্ভুক্তিকৰণেৰে গোটেই পদ্ধতিটোকে আগুৱাই নিছিল। ৰাইজৰ সভাবোৰৰ দ্বাৰা অভিগমনবোৰ অনুসৰণ কৰা হৈছিল। এনেকুৱা সভাবোৰত পি এল এ ক্ৰিয়াকলাপবোৰ ৰাইজৰ সমস্যাবোৰ বুজি উঠাকৈ বিশেষকৈ বিদ্যালয়ৰ পৰ্যাপ্ততা আৰু কাম-কাজ আদিত ব্যৱহাৰ কৰা হৈছিল।

ৰাইজৰ সহযোগত ৰাইজৰ সমল আৰু চুবুৰীয়া মানচিত্ৰ প্ৰস্তুত কৰা হৈছিল। 35-40জন মানুহ গোট খাই এখন মানচিত্ৰ অংকন কৰিছিল য'ত স্থানীয় সমল, যেনে- ডালি, ইটাৰ গুড়ি, বীজ বা গুটি, শিলগুটি, পিবলচ, পাত, কাগজ আদি ব্যৱহাৰ কৰা হৈছিল। প্ৰতিখন মানচিত্ৰই প্ৰায় 300 পৰিয়ালৰ তথ্য দিব পাৰিছিল। এনেদৰে চুবুৰী ভিত্তিক মানচিত্ৰবোৰ লগ কৰি প্ৰধান লেণ্ডমাৰ্ক আৰু ৰাইজৰ সমল যুক্ত এখন মূল মানচিত্ৰ তৈয়াৰ কৰা হৈছিল। এই মানচিত্ৰবোৰে ৰাইজক তেওঁলোকৰ শক্তি আৰু সমল সমস্যা উদ্‌ঘাটন, পৰিধি অনুযায়ী কাৰ্যসূচী আদি কৰাত সহায় কৰিছিল। ৰাইজৰ এই মানচিত্ৰত বিদ্যালয় বহিৰ্ভুত শিশু, আধাতে বিদ্যালয় সামৰা শিশু, শিশু শ্ৰমিক আদি অন্তৰ্ভুক্ত কৰিছিল।

এই পদ্ধতিত পি এল এ সঁজুলি ব্যৱহাৰ কৰি ৰাইজৰ লগত কথা পতাটো বৃদ্ধি হৈছিল আৰু কিছু সক্ৰিয় আৰু অনুসন্ধিৎসু প্ৰৱণ মানুহ তাৰ পৰা চিনাক্ত কৰি স্বেচ্ছাসেৱক হিচাপে কাম কৰিছিল। মহিলাসকলে চুবুৰীয়া গ্ৰুপ (NHG) গঠন কৰিছিল।



টোকা

ইয়াৰ অৰ্থ হ'ল কিমান ঘৰ মানুহে ইয়াত বসবাস কৰিছে আৰু ইঘৰৰ লগত সিঘৰৰ সম্বন্ধ আদি। গ্ৰুপটোৰ আগ্ৰহ অনুযায়ী প্ৰতিটো এন এইছ জিই এজন সদস্য বাছনিভুক্ত কৰে। বিভিন্ন এন এইছ জিৰ প্ৰতিনিধি একেলগে বহি 'বস্তি কমিটী' হিচাপে গোটেই বস্তিটোতে কোনো সমস্যাৰ সন্মুখীন হৈ আছে সেই সম্পৰ্কত আলোচনা কৰিছে। বস্তি কমিটীয়েই সভাপতি/সম্পাদক আৰু কিছুসংখ্যক সদস্যক চিনাক্ত কৰি লয়।

প্ৰাথমিক শিক্ষা নিশ্চিত প্ৰকল্প কাৰ্যক্ৰমত বস্তি কমিটীয়ে বস্তি শিক্ষা সমিতি গঠন কৰিছিল। এই বস্তি শিক্ষা সমিতিয়ে বিদ্যালয়ত নামভৰ্তি, উপস্থিতি, শিকন প্ৰক্ৰিয়া আৰু বিদ্যালয়ৰ লগত সংযোগ আদি দিশত কাম কৰিছিল।

শেষত এই গোটটোৱে এটি ৱাড বা জিলা সংস্থা হিচাপে স্থানীয়/ ৰাজ্যিক প্ৰশাসনৰ সহযোগত আত্মপ্ৰকাশৰ সুবিধা পাইছিল। এসময়ত এই ধৰণৰ গোট বা সংস্থা NHG গঠন কৰাৰ বাবে আৰু PEEP কাৰ্যক্ৰমৰ সমল ব্যক্তি চিনাক্তকৰণৰ যোগেদি এই সংস্থাই সকলো জাতি, ধৰ্ম আৰু অৰ্থনৈতিক সংস্থা হিচাপে পৰিগণিত হৈছিল।

উক্ত সংস্থাটোৱে নিয়মীয়াকৈ সভাপতি কিছুমান ক্ৰিয়াকলাপ কৰিবলৈ লৈছিল। তেওঁলোকে সহায়ক শিশুকেন্দ্ৰ গঠন কৰি স্থানীয় বিদ্যালয়বোৰত শিক্ষণ প্ৰদানত সহায় কৰিছিল। পৰিয়ালবোৰৰ প্ৰয়োজন অনুসৰি সহায়ক শিশু কেন্দ্ৰবোৰ বিভিন্ন ধৰণে গঠন, যেনে- বালৱাৰী (প্ৰাক বিদ্যালয়), টিউচন চেণ্টাৰ, বৃত্তিমুখী প্ৰশিক্ষণ কেন্দ্ৰ (প্ৰাপ্ত বয়স্কৰ বাবে) হৈছিল। কেন্দ্ৰৰ বাবে ঠাইৰ চিনাক্তকৰণ ৰাইজে কৰি দিছিল। শিক্ষণ প্ৰণালীৰ বাবে সহায়ক শিশুকেন্দ্ৰৰ কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হৈছিল। কেন্দ্ৰবোৰ পৰিচালনা কৰাৰ বাবে ৰাইজ মানৱ আৰু বিত্তীয় সম্পদ যোগান ধৰিছিল।

ওপৰৰ উদাহৰণবোৰ বৰ্ণনা কৰিলে দেখা যায় যে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ৰাইজক বিভিন্ন প্ৰকাৰে জড়িত কৰা হৈছিল। কাৰ্যক্ৰম কাৰ্যকৰীকৰণৰ বাবে ৰাইজ প্ৰকাশ এক অংশ স্বৰূপ হৈ পৰিছিল। বিভিন্ন স্তৰত কমিটীবোৰৰ গঠন, যেনে চুবুৰীয়া কমিটী, বৃত্তি কমিটী আৰু বস্তি শিক্ষা সমিতি আদি কৰি শিক্ষাৰ সমস্যা সমাধানৰ প্ৰাধান্য দিয়া হৈছিল। ৰাইজে তলত দিয়া কাৰ্যবোৰত সহায় কৰিছিল —

- শিক্ষাৰ গুৰুত্বৰ বাবে সজাগতা বৃদ্ধি।
- ঘৰে ঘৰে জৰীপ কৰি বিদ্যালয়ত নামভৰ্তি নোহোৱা, আধাতে বিদ্যালয় সামৰা, বিদ্যালয়লৈ যোৱা শিশুৰ তথ্য লোৱা।
- বস্তি অঞ্চলৰ মানচিত্ৰ অংকন।
- স্থানীয়/ৰাজ্যিক প্ৰশাসকৰ লগত আলোচনা।
- প্ৰাক বিদ্যালয়, নিদানমূলক শিক্ষণ আৰু বৃত্তিমুখী কৌশল প্ৰশিক্ষণৰ বাবে কেন্দ্ৰ প্ৰতিষ্ঠা কৰা।
- বিত্তীয় আৰু মানৱ সম্পদ যোগান।



টোকা



**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 6**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. ওপৰত উল্লিখিত বিভিন্ন 'Case study'ৰ আলমত ব্যাখ্যা কৰক- শিশুৰ শিক্ষাত ৰাইজ কি ধৰণে জড়িত হ'ব পাৰে আৰু স্থানীয় পৰ্যায়ত কি ধৰণৰ বিন্যাসৰ প্ৰয়োজন?

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 3.11 ৰাইজে কি ধৰণে প্ৰতিনিধিত্ব কৰিব তাৰ এক বিন্যাস ঃ

কোনো এক অঞ্চলৰ মানচিত্ৰ অংকন, জৰীপ, লক্ষিত গোট আলোচনা, পি এল এ পদ্ধতিৰ আঁচনি কৰি তাক বিদ্যালয় শিক্ষাৰ উন্নতকৰণ, নামভৰ্তি আৰু শিক্ষক ছাত্ৰ উভয়কে উপস্থিতি বঢ়োৱা আদিবোৰ কাৰ্য কৰাৰ বাবে ৰাইজে তলত দিয়া ব্যৱস্থা ল'ব পাৰে।—

- বিদ্যালয় পৰিচালনা সমিতি (SMC)
- গাঁও/ৱাৰ্ড শিক্ষা সমিতি (VEC/WEC)
- বেচৰকাৰী সংস্থা (NGO)
- স্বেচ্ছাসেৱক (Volunteers)
- আত্মসহায়ক গোট (SHG)

ইয়াৰ পাছৰ গোটটোত আমি এই বিষয়ে সংস্থাবোৰৰ গঠন, ভূমিকা আৰু কাম-কাজ সম্পৰ্কে আলোচনা কৰিম।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 7**

**টোকা ঃ** আপোনাৰ প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. আপোনাৰ গাঁও/ৱাৰ্ডত ৰাইজে বিদ্যালয়ৰ লগত জড়িত হৈ কি ধৰণৰ কাম-কাজ কৰিছিল সেই বিষয়ে তথ্য লৈ আলোচনা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

বিদ্যালয়ৰ কাম কাজত ৰাইজৰ অংশগ্ৰহণ সম্বন্ধে তলৰ case study দুটা চালেই ভালদৰে ছবিখন পৰিস্ফুট হ'ব। য'ত দেখা যায় প্ৰথমটোত ৰাইজ ভালদৰে জড়িত নহ'লে বিদ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে নচলে। অন্যহাতে আনটোত ৰাইজে


টোকা

সম্পূৰ্ণৰূপে জড়িত হৈছে। দুয়োটা case studyয়ে NUEPAৰ সহকাৰী অধ্যাপিকা ড° অস্থি কাশ্যপিয়ে গৱেষণা কৰি নথিভুক্ত কৰিছিল।

## 3.12 কেচ - 4 ঃ আম্বেদকাৰ প্ৰাথমিক শালা, কৃষিবাড়ী, নাবচাৰী, গুজৰাট ঃ ফেব্ৰুৱাৰী 2006

নাভচাৰী ৰে'লৰে ষ্টেচনৰ ওচৰত আম্বেদকাৰ প্ৰাথমিক শালা, কৃষিবাড়ী এখন বিদ্যালয়। বিদ্যালয়খন এটা অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত আছে। বিদ্যালয়খনৰ সন্মুখত এটা ডাঙৰ হ্ৰদ আছে য'ত বস্তি অঞ্চলৰ লেতেৰা পানীৰে ভৰ্তি হৈ আছে। এইটো হ'ল মহৰ উৎপত্তি স্থল। শ্ৰেণীকোঠাৰ ভিতৰত আনকি মধ্যাহ্ন ভোজন খুওৱাৰ সময়ত ছাগলী, গাহৰি আৰু মুৰ্গীয়ে চলাচল কৰে। প্ৰস্ৰাৱগাৰৰ কাষত এটা মধ্যাহ্ন ভোজনৰ এটা চৌকা আছে। মধ্যাহ্ন ভোজনৰ সামগ্ৰী ৰখা কোঠাটো লেতেৰা আৰু কীট-পতংগৰ বাসস্থলী। বিদ্যালয় চৌহদত কোনো পকীবেৰ নাই আৰু গোটেই পৰিৱেশটো লেতেৰা। এক ডাঙৰ চৌহদ থকা বিদ্যালয়খনত কোনো গছ-পুলি এটাও নাই। বিদ্যালয় চৌহদত এটা পানীৰ টেংক আছে য'ত টেপবোৰ ভঙা অৱস্থাত আছে। পানীৰ টেংকীটোৰ সন্মুখত এটা পানীৰ ঘোল আছে য'ৰ পৰা পানী আহি বিদ্যালয়ৰ প্ৰৱেশদ্বাৰত সোমায়। অন্যফালেদি বিদ্যালয়ত সোমোৱা ৰাস্তা নাই। এফালে হ্ৰদৰে পৰিপূৰ্ণ আৰু আনফালে গুল্মজাতীয় গছ-গছনিৰে পৰিপূৰ্ণ। এটা প্ৰস্ৰাৱগাৰৰ দুৱাৰ ভঙা য'ত প্ৰস্ৰাৱ কৰাটো সম্ভৱ নহয় আৰু অন্য প্ৰস্ৰাৱগাৰটো ভাল যদিও তলাবন্ধ, সম্ভৱতঃ শিক্ষকে এইটো ব্যৱহাৰ কৰে। এই অস্বাস্থ্যসন্মত পৰিৱেশৰ কথা শিক্ষকক সোধাত তেওঁলোকে চৌহদত বেৰ নথকা বাবে ৰাইজে যেনিয়ে তেনিয়ে সোমাই দৰ্জা, খিড়িকী, পানীৰ টেপ, ৰেম্প চৌকা আদি ভাঙি ইটাবোৰ ঘৰলৈ নিয়ে বুলি ক'লে।

বিদ্যালয়খনত ল'ৰা-ছোৱালীৰ সংখ্যা বেছি বাবে দুটা স্তৰত পাঠদান হয়। পুৱা 8 বজাৰ পৰা 12 বজালৈ আৰু দুপৰীয়া 1 বজাৰ পৰা 5 বজালৈ। গুজৰাটীয় সম্প্ৰদায়ৰ মানুহে বিদ্যালয়ৰ কাষত কম, বেছিভাগ মানুহেই মুম্বাই, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ পৰা অহা তেওঁলোকে ডাইমণ্ড ফেক্টৰীত কাম কৰে। ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতি গম পালো সিহঁতে তৃতীয় শ্ৰেণীলৈ ভালদৰে গুজৰাটী ভাষা ক'ব নোৱাৰে। চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে গুজৰাটী ভাষা বুজে যদিও পঢ়িব আৰু লিখিব নোৱাৰে। শিক্ষকৰ লগত কথা পাতি গম পোৱা গ'ল ছাত্ৰ-ছাত্ৰীসকল বছৰটোৰ বেছিভাগ সময়ত অনুপস্থিত থাকে। উপস্থিতিৰ বহী চোৱাত ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী উপস্থিতিহে লক্ষ্যত পৰিছিল। ইয়াৰ কাৰণ সোধাত ষষ্ঠ আৰু সপ্তম শ্ৰেণীত যিহেতু বৃত্তিৰ ধন দিয়া হয় সেইবাবে উপস্থিতি কম হ'লে এই ধন নাপায়। তেতিয়া এই দুটা স্তৰত ছাত্ৰ-ছাত্ৰী প্ৰকৃত পক্ষে উপস্থিত নাথাকিলেও উপস্থিত থকা বুলি দেখুওৱা হয়। বিদ্যালয়খনৰ আলমাৰীত 300-400 কিতাপ আছে যদিও সেইবোৰৰ পেকেটবোৰ খোলাই নাই। পৰিদৰ্শক অহাৰ দিনাও 9জন শিক্ষকৰ দুজনহে উপস্থিত আছে। অনুসন্ধান কৰি গম পোৱা গ'ল বাকী শিক্ষকবোৰৰ প্ৰশিক্ষণ আছে য'ত তেওঁলোক 11 বজাৰ পৰা



টোকা

5 বজালৈ থাকিব লাগে। যিহেতু প্ৰাতঃ শাখা 8 বজাৰ পৰা 12 বজালৈ চলে সেই বাবে ৰাতিপুৱা বিদ্যালয়ত অহাটো তেখেতসকলৰ সমস্যা নাথাকে। উপস্থিত থকা শিক্ষক দুজন আবেলিৰ শাখাৰ বাবে। নিশ্চয় আমাৰ ভ্ৰমণৰ বিষয়ে জানি আবেলি শাখাটো এদিন বন্ধ বাৰত নি প্ৰাতঃশাখাটো সেইদিনা চলাই থকা হৈছিল। ৰাইজৰ লগত কথা পাতি গ'ল পোৱা গ'ল যিহেতু শিক্ষকৰ কাৰ্যত সুখী নহয় আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে বৃত্তিৰ ধন নোপোৱা কথাটোও জনালে আৰু শিক্ষাদান ভালদৰে নহয় বুলি ক'লে। এগৰাকী অভিভাৱকে জনালে তেওঁৰ ছোৱালীয়ে পঞ্চম শ্ৰেণীত পঢ়ে যদিও একো নাজানে। আনকি মধ্যাহ্ন ভোজনৰ চাউলো বাহিৰলৈ যোৱাতো তেওঁলোকে প্ৰত্যক্ষ কৰে। ৰাইজ কিয় ইয়াত জড়িত নহয় বুলি সোধাত তেওঁলোকক বিদ্যালয়লৈ নামাতে বুলি ক'লে। মাত্ৰ দুজন অভিভাৱকে অলপ শিক্ষকৰ ভাল কথা কৈছিল যি দুজন শিক্ষকৰ নিৰ্দেশত চলিছিল বাকীবোৰে শিক্ষকৰ কোনো ভাল কথাই কোৱা নাছিল। এজন অভিভাৱকে জনালে ৰাজহুৱা বন্ধ (যেনে - 15 আগষ্ট 26 জানুৱাৰী)ত যেনেকৈ স্কুল বন্ধ তাকে তেনেদৰে প্ৰতিমাহতে দুদিনকৈ শিক্ষকে চি আৰ চি সভা/প্ৰশিক্ষণ থকা বুলি বিদ্যালয় বন্ধ ৰাখে। তাৰোপৰি প্ৰশিক্ষণৰ পাছতো তেওঁলোকৰ শিক্ষণ পদ্ধতিৰ কোনো পৰিৱৰ্তন দেখা নাযায়। VEC, MTA, PTA সদস্যসকলক আমন্ত্ৰণ কৰি পোৱা গ'ল ইয়াৰ সদস্যবোৰৰ ল'ৰা-ছোৱালীবোৰ এইখন বিদ্যালয়ত নপঢ়ে, যিবিলাকৰ পঢ়ে সেইবোৰক এই কমিটীসমূহত লোৱা নহয়। পৰ্যবেক্ষণকাৰী দল অহাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল বিদ্যালয় আহিলে যদিও তেওঁলোক দুটা ফৈদৰ (শিক্ষক আৰু অভিভাৱক) মাজত কথাৰ অমিল হৈছিল। শিক্ষকে ৰাইজক দোষ দিছিল আৰু অনুৰূপ ধৰণে ৰাইজেও শিক্ষকক একো নকৰা বুলি দোষাৰোপ কৰিছিল। যিহেতু বিদ্যালয়খন চহৰাঞ্চলত অৱস্থিত, নিৰ্বাচিত কমিটীৰ প্ৰতিনিধিসকলেও ইয়ালৈ আহিছিল য'ত শিক্ষা সম্বন্ধীয় জ্ঞান তেওঁলোকৰো নাই। তেওঁলোকৰ ভাষ্য 'মোৰ অহাৰ সময় নাই, কেতিয়াবা আহিলে চহী কৰিবলৈ আহো।' ৰাইজক কিয় ইয়াত লাগে? কিমানখন সভা পাতিলে? কি আলোচনা কৰা হ'ল? সঁচাকৈয়ে এইটো বিদ্যালয়ত সহায়ক হৈছেনে বা বিদ্যালয়খনৰ ভৱিষ্যত পৰিকল্পনা কি? এই প্ৰশ্নবোৰৰ উত্তৰ তেওঁলোকৰ হাতত নাই। শিক্ষক আৰু ৰাইজৰ মাজত সম্বন্ধ একেবাৰে নাই আৰু তাত দিব পৰা উপযুক্ত ব্যক্তিৰো অভাৱ। শিক্ষক আৰু ৰাইজৰ ভিন্ন আঁচৰণে বিদ্যালয়খনক আৰু নিম্নগামী কৰি তুলিছে।

ওপৰৰ 'Case study' টোৰ পৰা দেখা গ'ল যে ৰাইজ একেবাৰে জড়িত নহয় আৰু তেওঁলোকে বিদ্যালয় বা শিক্ষকৰ উপস্থিতি নিৰীক্ষণ নকৰে। ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতিৰ বাবে তেওঁলোকৰ ফলাফল সন্তোষজনক নহয়।

## 3.13 কেচ- 5 ঃ জবানটেকৰি প্ৰাথমিক বিদ্যালয়, ভড'ডৰা

জবানটেকৰি প্ৰাথমিক বিদ্যালয়খন গুজৰাটৰ ভড'ডৰাৰ পৰা 20 কি.মি. দূৰত্ব য'ত দুটা শ্ৰেণীকোঠাত 53 জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে তিনিজনী শিক্ষয়িত্ৰী আছে। তেওঁলোকৰ দলটো মহিলাৰ দল, য'ত মধ্যাহ্নভোজনৰ সমন্বয়ক, ৰান্ধনি, গাঁওবুঢ়া আটাইকেইজনেই মহিলা। ছয় মাহৰ আগতে বিদ্যালয়লৈ যোৱা এটা আলকাতৰাৰ ৰাস্তা



টোকা

বনোৱা হৈছে আগতে 4-10 কি.মি. জুৰি এইটো এটা বোকাময় আৰু প্ৰকাণ্ড গাঁত যুক্ত ৰাস্তা আছিল। ল'ৰা-ছোৱালীৰ অনুপস্থিতিৰ হাৰ বেচি। তেওঁলোকৰ সাজ-পোছাকো লেতেৰা, আৰু তেওঁলোকে অভিভাৱক সহ বাহিৰত খেলি আছিল। বিদ্যালয় চৌহদত এটা হেণ্ড পাম্প আছিল আৰু মানুহে তাৰ পৰা পানী আনিছিল আৰু বিভিন্ন আলাপত ব্যস্ত থকা পুৰুষ-মহিলাই অসামাজিক কাম কৰিছিল। বিদ্যালয় ছুটীৰ পাছত সন্ধিয়া গাঁওবাসীয়ে বিদ্যালয় চৌহদত মদ-মাংস খাই জুৱা খেলিছিল। তেওঁলোকে অপৰিষ্কাৰ কৰি থোৱা বিদ্যালয় চৌহদ ৰাতিপুৱা বিদ্যালয়ৰ শিক্ষকে চাফা কৰিব লাগে। এগৰাকী শিক্ষয়িত্ৰীয়ে বিদ্যালয় পৰিৱেশ উন্নত কৰাৰ বাবে এক কৌশল অৱলম্বন কৰিলে আৰু তেখেতৰ নেৰানেপেৰা চেষ্টাত ৰাইজক ঢুকি পোৱাটো সম্ভৱ হৈ উঠিল। খেলা পদ্ধতিৰ সহায়ত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক গাণিতিক ধাৰণা, ভাষা আৰু সজ অভ্যাসৰ বাবে পাঠদান কৰিছিল। তেতিয়া অভিভাৱকসকলে দুপৰীয়া পথাৰৰ পৰা খোৱাৰ বাবে আহে তেতিয়া শিক্ষয়িত্ৰীগৰাকীয়ে ল'ৰা-ছোৱালীবোৰ শ্ৰেণীকোঠাৰ বাহিৰলৈ লৈ আহে আৰু সিহঁতে কি শিকিছে সেইটো ডাঙৰকৈ ক'বলৈ দিয়ে। তেতিয়া ৰাস্তাৰে আহি থকা অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে কি কথা পাতে কথাবোৰ শুনিবলৈ ক্ষন্তেকৰ বাবে ৰৈ যায় আৰু এই কথাটো সিহঁতে অন্যসকলৰ আগতো কোৱাকুই কৰিলে। দৈনিক এই কাৰ্যটোৰে হৈ থকা কেলেংকাৰী আৰু আড্ডাবোৰত প্ৰভাৱ পৰিল আৰু পানী তুলিবলৈ আহোতে ব্যৱহাৰ কৰা অবাইচ মাত কথাবোৰ বন্ধ হ'বলৈ ধৰিলে। অভিভাৱকসকলে কিছু কথা জানিবলৈ আগ্ৰহী হৈ উঠিল। আগদিনা ৰাতি তেওঁলোকে কৰা কুকাৰ্যৰ ফলত লেতেৰা হৈ থকা চৌহদ তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰেই চাফা কৰিবলগীয়া হোৱা কথাটোত বৰ লাজ পালে। সজাগতা তথা দৰিদ্ৰতাৰ প্ৰকোপত পৰি বিদ্যালয়ৰ দৰ্জা খিৰিকী ভাঙি বিক্ৰী কৰাটোও এতিয়া বন্ধ হ'বলৈ ধৰিলে।

শিক্ষয়িত্ৰীজনীয়ে লক্ষ্য কৰিছিল যে গাঁওখনত জাতিগত আৰু লিংগৰ কিছু বৈষম্য আছে আৰু সেই ধৰণৰ সমস্যা দূৰীকৰণ বাবে বিদ্যালয়ত পদক্ষেপ ল'বলৈ ধৰিলে। তেখেতৰ যোগাত্মক চিন্তাই লাহে লাহে ৰাইজে বুজি লৈ বিদ্যালয়ত চলি থকা লিংগ ভিত্তিক কাম-কাজ বন্ধ হৈ পৰিল। যেতিয়া ৰাইজ আৰু ল'ৰা-ছোৱালীয়ে একেলগে সংগবদ্ধভাৱে কাম কৰাৰ বাবে অনুপ্ৰেৰা পালে তেতিয়া এটা বৰ আমোদজনক ঘটনা পোৱা গ'ল। বণিয়া সম্প্ৰদায়ৰ এগৰাকী অভিভাৱকে ক'লে তেওঁলোকৰ ঘৰত আলহী আহিল। যিহেতু তেওঁৰ গা ভাল নাছিল তেওঁ ভাবিলে কামবোৰ কোনে কৰিব আলহীবোৰে সুধিব বুলি দুখ কৰি আছিল। যিহেতু তেওঁৰ সন্তান দুয়োটাই ল'ৰা আছিল। তেতিয়া তেওঁ গৌৰৱেৰে শিক্ষয়িত্ৰীগৰাকীৰ নাম কৈ কামৰ ক্ষেত্ৰত ল'ৰা-ছোৱালী বাচ-বিচাৰ নকৰি তেওঁৰ ল'ৰাই চাফ চিকুণৰ কাম কৰি চাহ জলপান কৰি আলহীও সোধা বুলি ক'লে। এই কথাটোৰ প্ৰভাৱ ঘূৰ্ণন আকাৰে পৰিছিল আৰু তেওঁ আনকো এই কাৰ্যটো দেখুৱাবলৈ চেষ্টা কৰিছিল। এদিন গ্ৰীষ্মকালত সেইগৰাকী শিক্ষয়িত্ৰীয়ে আঁঠুলৈকে পানী গচকি বিদ্যালয়লৈ আহিছিল। গাঁওবাসীয়ে খালবোৰৰ ওচৰত শিক্ষয়িত্ৰীগৰাকীক ৰখাইছিল আৰু খালবোৰ অতিক্ৰমি দুচকীয়া বাহন নিয়াটো অসম্ভৱ আছিল আৰু বাকী



টোকা



থকা ৰাস্তাখিনিত বোকাৰ বাবে খোজকঢ়াটো অসুবিধা আছে বুলি উভতি যাব কৈছিল। তেওঁলোকে শিক্ষয়িত্রীগৰাকীক বাৰিষাৰ পাছত আহিবলৈ কৈছিল। তেওঁলোকৰ অনুভৱক সন্মান জনাই শিক্ষয়িত্রীগৰাকীয়ে কৈছিল যে তেওঁলোকে বাৰিষা সময়ত কি কৰে বুলি। আপোনালোকে কাম বন্ধ ৰাখে নেকি? তেওঁ জানিছিল যে দৰিদ্রতাই মানুহখিনিক প্রতিদিনে কাম কৰিবলৈ বাধ্য কৰাইছিল আনকি অতি টান অৱস্থাতো। তেওঁ সিহঁতক সুধিছিল এই খালবোৰ কেনেদৰে অতিক্রমি যাব পাৰি। আপোনালোকে মোক উভতি যোৱাৰ পৰিবর্তে কি কৰিব পাৰি সেইটো কওক। গাঁওবাসীয়ে শিক্ষয়িত্রীগৰাকীৰ মহত্বতা আৰু পেছাগত নীচা দেখি আচৰিত হৈছিল। তেতিয়াৰে পৰা কোনেও শিক্ষয়িত্রীগৰাকীক পিছফালৰ পৰা চোৱা নাই। ৰাইজৰ পৰা অকুণ্ঠ সঁহাৰিৰ ঢল ব'বলৈ ধৰিলে। কথোপকথনত শিক্ষয়িত্রীগৰাকীয়ে কৈছিল তেওঁ গাঁওবাসীৰ ওচৰত কেৱল প্রয়োজন বা সভা-সমিতিৰ কাৰনেই লগ কৰিব নাযায়, বৰঞ্চ এঘণ্টা স্কুল সময়ৰ আগতে গৈ ল'ৰা-ছোৱালীয়ে স্কুল যাবলৈ সাজু হৈছেনে তাক চাবলৈ ঘৰে ঘৰে যায়। এনেদৰে দৈনিক এটা ৰাইজৰ লগত সম্পর্ক স্থাপন শিক্ষয়িত্রীগৰাকীৰ হৈ উঠিল আৰু ৰাইজেও বিদ্যালয়খন পৰিচালনা কৰাত সহায় কৰিবলৈ ল'লে। ল'ৰা-ছোৱালীবোৰ বিদ্যালয়লৈ নিয়মীয়াকৈ আহিবলৈ ধৰিলে। বিদ্যালয়খনত মুখ্য কাৰক হ'ল শিশুকেন্দ্রিক পাঠদান। সাংখ্যিকীয় ধাৰণাবোৰ সৰু সৰু সাধু, পুতলা, খেলা আৰু সংগীতেৰে আগুৱাই নিয়া হয়। পুতলাবোৰ বিভিন্ন ধৰণৰ কীত-পতংগ, জীৱ-জন্তু, চৰাই আদি বনাবলৈ কাপোৰ, কার্ডব'র্ড, চার্ট পেপাৰ, ম্যাট পেপাৰ আদিৰে বনাবলৈ ছাত্র-ছাত্রীক ধাৰণা দিয়া হয়। প্রথমৰ পৰা পঞ্চম শ্রেণীলৈ সকলো ছাত্র-ছাত্রীয়ে অখণ্ড সংখ্যা, নেওতা আদি গানৰ মাধ্যমেৰে আৰু নৃত্যৰ মাধৰমেদি ড্রাম আদি অনুশীলন কৰি শিকোৱা হয়। সিহঁতে ভংগীমা গীতৰ সহায়ৰে গুজৰাটীয় মাহবোৰৰ নাম আৰু ইংৰাজী কেলেণ্ডাৰৰ বিষয়ে শিকে। এই মহান শিক্ষয়িত্রীগৰাকীৰ অনুপ্রেৰণাতে ৰাইজে জড়িত হৈ পৰিছে। ৰাইজে বিদ্যালয়ত বিভিন্ন ধৰণে যেনে - শিক্ষক ছাত্র-ছাত্রীৰ উপস্থিতি নিৰীক্ষণ, সাংস্কৃতিক আৰু খেলা-ধূলা আনকি শ্রেণীকোঠাত কৃষি সম্পর্কীয় পাঠদান কার্যত সহায় কৰে।

**আপোনাৰ অগ্রগতি পৰীক্ষা কৰক- 8**

**টোকা ঃ** আপোনাৰ প্রশ্নৰ উত্তৰৰ সাপেক্ষে ঠাই ৰখা হৈছে।

1. ঘটনাৰ বিৱৰণ Case Study ত দিয়া ধাৰণা বিদ্যালয় উন্নয়ন কার্যত ৰাইজে কি ধৰণে বৰঙণি যোগাব পাৰে?

..........................................................................................

..........................................................................................

..........................................................................................

2. ভড'ডৰাৰ জবানটেকৰি প্রাঃ বিঃত ৰাইজৰ লগত সহযোগিতা অনাত কোনে সহায় কৰিলে?

..........................................................................................



টোকা

..............................................................................................................

..............................................................................................................

3. আম্বেদকাৰ প্ৰাথমিকশালা, কৃষিৰাড়ী, নাভচাৰীত কি ধৰণে ৰাইজ জড়িত কৰণ কৰিব লিখক?

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 3.14 সংক্ষিপ্তকৰণ ঃ

গাঁৱৰ ৰাইজৰ মাজৰ পৰাই অভিভাৱক আৰু সামাজিক সহযোগিতা থাকিলে তাত ছাত্ৰ ছাত্ৰীৰ সাফল্যতা নিৰ্ভৰ কৰে। যেতিয়া অভিভাৱক আৰু সমাজ জড়িত হ'ব তেতিয়া ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি বাঢ়ে, আৰ্থ সামাজিক বেআইনী কাম কাজ বন্ধ হয় আৰু অভিভাৱকৰ শিক্ষা সম্বন্ধীয় কথাবোৰ জনা হয়। প্ৰকৃত পক্ষে বিদ্যালয় এখন সুচাৰুৰূপে চলাবলৈ ৰাইজক কিদৰে জড়িত কৰাব পাৰি সেই বিষয়ে শিকিলে। ৰাইজৰ সহযোগিতাই বিদ্যালয়খনৰ স্থানীয় সমস্যা উদঘাটন আৰু দূৰীকৰণৰ বাবে লোৱা পদক্ষেপত সহায় কৰে। ৰাইজে বিত্তীয় সমল যোগান, পৰ্যবেক্ষণ, শিক্ষক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিতি নিৰ্ণয় আৰু শৈক্ষিক সহযোগিতা প্ৰদানত সহায় কৰিব পাৰে। সৰ্বশিক্ষাই শিক্ষাৰ অধিকাৰ আইনৰ যোগেদি ৰাইজ জড়িত কৰণ প্ৰক্ৰিয়াত অধিক গুৰুত্ব দিয়া দেখা গৈছে।

## 3.15 পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিকতা

Bray Mark (2001) Community Partnerships in Education: Dimensions, Variations, and Implications, Paris Education for All (EFA) Inter-Agency Commission, UNESCO.

Gaysu R.Arvind(2008) *Locating Community in School Education: Emerging Perspectives and Practices to Empowered Participatory Governance,* Paper presented at National Seminar on Community and School Linkages:

Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.

Government of India(undated) *Sarva Shiksha Abhiyan- Framework for*

*Implementation*. Ministry of HRD, Department of Elementary Education and Literacy, New Delhi.

Govinda. R & Diwan Rashmi (2003) *Community Participation and Empowerment in Primary Education,* Sage Publications, New Delhi.

Grant A. Carl (1979) *Community Participation in Education*, Allyn and Bacon, USA



টোকা


Jayaram, N, (2008) *School-Community Relations in India: Some Theoretical and Methodological Considerations,* Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17- 19, 2008), NUEPA, New Delhi.

Kantha V. Vinay & Daisy Narain (2003) *Dynamics of Community Mobilisation* in Govinda. R & Diwan Rashmi Community Participation and Empowerment in Primary Education, Sage Publications, New Delhi.

*Lorlene Hoyt, Renu Khosla, and Claudia Canepa(Leaves, Pebbles, and Chalk: Building a Public Participation GIS in New Delhi, India Journal of Urban Technology, Volume 12, Number 1, pages 1–19.*

Mitsue Uemura(1999) *Community Participation in Education: What do we know*? The World Bank.

Meenai Zubair(2008) *Participatory Community Work,* Concept Publishing Company, New Delhi.

Pailwar, Veena K.& Mahajan Vandana (2005) Janshala in Jharkhand: An Experiment with Community Invovement in Education, International Education Journal, 2005, 6(3), 373-385.

Pokhriyal H.C(2008) *Communitisation of School Education : Reflections from the Field* Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi

Priyanka Pandey, Sangeeta Goyal, Venkatesh Sundararaman (2008) Community Participation in Public Schools:The Impact of Information Campaigns in Three Indian State , Policy Research Working Paper 4776, The World Bank, South Asia Region, Human Development Department

Ramachandran Vimala (2003) Community Participation and Empowerment in Primary Education: Discussion of Experiences from Rajasthan in Govinda. R & Diwan Rashmi *Community Participation and Empowerment in Primary Education,* Sage Publications New Delhi.

Society for Participatory Research in Asia *Community participation: A Training Module for Anganwadi Workers*

Tharakan P.K. Michael(undated) Community Participation in School Education: Experiments andExperiences under People's Planning campaign in Kerala http://decwatch.org/files/icdd/021.pdf



টোকা

*UNESCO Module on Community Mobilization* in Handbook Non-formal Adult Education facilitators

*UNESCO, Dhaka Ahsania Mission* Module Training Manual on Community Participation and Social Mobilization in Basic Education Vasavi A.R(2008) *Concepts and Realities of Community in Elementary Education,* Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.

## 3.16 আপোনাৰ অগ্ৰগতিৰ বাবে উত্তৰ পৰীক্ষা কৰক

### আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 1

1. ক্ৰিয়াপ্ৰণালী-আপোনাৰ অঞ্চলৰ তথ্য সংগ্ৰহ কৰি ইয়াক বিস্তৃত আকাৰত প্ৰকাশ কৰা।

2. সুৰক্ষা গাঁৱত VEC, SMC গঠন হৈছে। অভিভাৱক হ'ল কমিটীবোৰৰ সদস্য আৰু তেওঁলোক বিভিন্ন ক্ৰিয়াকলাপত সক্ৰিয়ভাৱে ব্যস্ত থাকে।

3. বিদ্যালয় আৰু ৰাইজৰ মাজত এন জিঅ' হ'ল এটি মাধ্যম।

4. সঞ্জী গাঁৱত ৰাইজ জড়িত নহয় আৰু তেওঁলোকে VEC আদিৰ দৰে অনুষ্ঠানৰ লগত জড়িত নহয়। বিদ্যালয়ৰ কোনো আঁচনি বা কাৰ্যক্ৰমত অভিভাৱকসকল জড়িত নহয়। কিন্তু সুৰক্ষা গাঁৱৰ অভিভাৱকবোৰ সক্ৰিয়ভাৱে জড়িত হয়। আনকি তাৰ বিদ্যালয় সভাসমিতিৰ তথ্যবোৰো ভালদৰে মজুত ৰাখে।

### আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2

1. শিক্ষা ব্যৱস্থাত বিত্তীয়, মানৱ আৰু বস্তুগত সম্পদৰ প্ৰয়োজনীয়তাৰ বাবে ৰাইজৰ অংশগ্ৰহণ খুবেই প্ৰয়োজনীয়। সকলো শ্ৰেণীৰ লোক বিশেষকৈ দুৰ্বল শ্ৰেণীৰ বাবে তেওঁলোকৰ প্ৰয়োজন। সমস্যা, আকাংক্ষা আৰু আগ্ৰহৰ বাবে শিক্ষাক উন্নত কৰণৰ বাবে ৰাইজৰ অংশগ্ৰহণ খুবেই জৰুৰী।

স্থানীয় লোকে আঁচনি তৈয়াৰ কৰা, সিদ্ধান্ত গ্ৰহণ কৰা আৰু বিদ্যালয় পৰিচালনা কৰা আদিৰ বাবে তেওঁলোকৰ অন্তৰ্ভুক্তিকৰণ খুবেই জৰুৰী কিয়নো ইয়েই শিক্ষাত গণতন্ত্ৰকৰণ বুজায়। অংশগ্ৰহণে বিজ্ঞান শিক্ষাত দায়ৱদ্ধতা বঢ়ায়। যিকোনো এটা কামৰ আঁত ধৰাৰ বাবেই এক প্ৰধান সঁজুলিৰ নিচিনা।

2. অভিভাৱকৰ লগত আলোচনা, ঘৰে ঘৰে জৰীপ কৰা, বিদ্যালয় মেপিং আৰু সূক্ষ্ম কাৰ্যক্ৰম প্ৰস্তুতিৰ বাবে ভি ই চি দায়বদ্ধ। ইয়াৰোপৰি বিদ্যালয়ৰ অন্য কাম-কাজত ৰাইজৰ অংশগ্ৰহণৰ বাবে সজাগতা বৃদ্ধি কৰাটো শিক্ষাত এক গুৰুত্বপূৰ্ণ বিষয়। বিদ্যলয়ৰ নিয়মীয়া কাম-কাজৰ বাবে ভি ই চি য়ে শিক্ষক/প্ৰশিক্ষক আৰু ৰাইজক সহায় কৰাটোও এক অন্যতম কাৰ্যসূচী।



টোকা



**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 3**

1. ৰাইজ তলত দিয়া ধৰণে জড়িত হ'ব পাৰে—

- বিদ্যালয় বহিৰ্ভুত শিশুৰ জৰীপ, শিশু শ্ৰমিক ৰোধৰ সজাগতা সভা, নামভৰ্তিকৰণ কৰা আদি কামত জড়িত হব পাৰে।
- বিদ্যালয় মেপিং, অনুশীলন আৰু বিদ্যালয় অৱস্থিত নিৰ্ণয়ত অংশগ্ৰহণৰ দ্বাৰা।
- টকা-পইচা, বস্তুগত সম্পদ আৰু শ্ৰমেৰে বৰঙণি আগবঢ়াই।
- উপস্থিতিৰে জড়িত হৈ (বিশেষকৈ অভিভাৱক সভাত উপস্থিত থাকি) বিদ্যালয় নিৰীক্ষণত স্বাস্থ্যসন্মত দিশ চোৱা চিতা কৰা, শ্ৰেণীকাৰ্যত প্ৰত্যক্ষ কৰা, ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আদি কাৰ্য নিৰীক্ষণ কৰি।
- বিশেষ বিশেষ ক্ষেত্ৰ যেনে আন্তঃগাঁথনিৰ উন্নত কৰণ, শিক্ষণ পদ্ধতি আদি উন্নতকৰণৰ বাবে জড়িতকৰণ।
- শিক্ষকৰ অনুপস্থিতিত পাঠদান কৰা বা বৃত্তিমুখী বা সংগীত আদিত ছাত্ৰ-ছাত্ৰীক সহায় কাৰ্যত
- শিক্ষকৰ নিয়মীয়া উপস্থিতি আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিৰীক্ষণ কৰি
- ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া পাঠ্যপুথি আৰু ইউনিফৰ্ম পাইছেনে নাই তাক চোৱা আৰু মধ্যাহ্ন ভোজনৰ গুণগত মানদণ্ড উন্নত কৰা।

2. আপোনাৰ অঞ্চলৰ পৰা তথ্য সংগ্ৰহ কৰক।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 4**

1. শিক্ষা সম্বন্ধীয় তলৰ তথ্যবোৰ বুজাটো দৰকাৰ।—

- অশিক্ষিত লোকৰ সংখ্যা গাঁও বা ৱাৰ্ডত।
- চুবুৰীৰ সংখ্যা।
- প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা (এক কিলোমিটাৰ ভিতৰত) উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা (তিনি কিলোমিটাৰ ভিতৰত) উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা (পাঁচ কিলোমিটাৰৰ ভিতৰত)।
- 6-7 বছৰ বয়সত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা।
- 6-17 বয়সলৈ নামভৰ্তি কৰা, নামভৰ্তি নকৰা আৰু আধাতে বিদ্যালয় সামৰা শিশুৰ তথ্য।
- ল'ৰা-ছোৱালীৰ শিকন অগ্ৰগতি চোৱা।

2. গাঁও ৱাৰ্ডৰ মানচিত্ৰ অংকনত তলৰ সদস্যবোৰে সহায় কৰিব পাৰে—

- VEC/WEC
- শিক্ষা বিভাগৰ প্ৰতিনিধি
- ৰাইজৰ প্ৰতিনিধি



টোকা

- অন্য ব্যক্তি যিয়ে মানচিত্ৰ অংকন কৰিব পাৰে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 5**

1. মানচিত্ৰখনত তলত দিয়া তথ্যবোৰ অন্তৰ্ভুক্ত কৰা দৰকাৰ যিয়ে বিদ্যালয়ৰ আঁচনিত তৈয়াৰ কৰাত সহায় কৰিব ঃ

- গাঁওখনত থকা পৰিয়ালৰ সংখ্যা আৰু প্ৰতিটো পৰিয়ালৰ অৱস্থিতি।
- গাঁৱৰ আন্তঃগাঁথনি-অংগনৱাড়ী, প্ৰাক বিদ্যালয়, বিদ্যালয়ৰ অৱস্থিতি, স্বাস্থ্য কেন্দ্ৰ আদি।
- প্ৰতিটো পৰিয়ালত থকা মানুহৰ সংখ্যা।
- বিদ্যালয়ৰ সংখ্যা সুবিধাজনক সংখ্যা থকা
- প্ৰতিটো চুবুৰীত থকা বিদ্যালয়লৈ যোৱা আৰু নোযোৱা শিশুৰ সংখ্যা।
- পুৰুষ আৰু মহিলা উভয়ৰে শিক্ষিত/অশিক্ষিতৰ সমস্যা।

2. তথ্য সংগ্ৰহৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতি

- জৰীপ
- অংশগ্ৰহণৰ যোগেদি শিকন আৰু কৰ্ম কৌশল (PLA)
- লক্ষিত গোটৰ আলোচনা (IGD)
- দৃষ্টিভংগী
- ঘৰে ঘৰে জৰীপ আৰু পৰ্যবেক্ষণ।

3. পি এল এ কৌশল যোগাযোগ মাধ্যমৰ বাবে এক প্ৰতীক চিহ্ন হিচাপে ব্যৱহাৰ কৰা হয়। এই পদ্ধতিটো সুবিধাজনক কাৰণ ই অশিক্ষিত ব্যক্তি আৰু ল'ৰা-ছোৱালীক অংশগ্ৰহণৰ বাবে সাহসী কৰি তোলে আৰু লগে লগে অংশগ্ৰহণকাৰীৰ সংখ্যা ক্ৰমে বৃদ্ধি পায়। বিভিন্ন পদ্ধতি, যেনে - (চাপতি কমিউনিটি ভিচন), গুটি, যাঠি আৰু পতাকাৰ ব্যৱহাৰ আদি।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 6**

1. ৰাইজে তলত দিয়া ধৰণে সহায় কৰিব পাৰে

- শিক্ষাৰ প্ৰয়োজনীয়তা বুজি সজাগতা বৃদ্ধি কৰা।
- ঘৰে গৰে জৰীপ সম্পন্ন কৰা আৰু নামভৰ্তি নকৰা, আধাতে বিদ্যালয় সামৰা, বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ তথ্য আদি সংগ্ৰহ কৰা।
- বস্তি অঞ্চলৰ মানচিত্ৰ তৈয়াৰ কৰা।
- স্থানীয়, ৰাজ্যিক প্ৰশাসকৰ লগত আলোচনা কৰা।
- প্ৰাক বিদ্যালয়, নিদানমূলক পাঠদান আৰু বৃত্তিমুখী, প্ৰশিক্ষণৰ বাবে কেন্দ্ৰ স্থাপন কৰা।
- বিত্তীয় আৰু সমল সহায়ক প্ৰদান।



টোকা



বিন্যাস গঠন কৰিছিল Neighbourhood or Group (NHG); Bastee Education Committee (BEC), Sahayak Shishu Kendra (SSK)

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 7**

1. আগতে গঠন হৈ থকা SMC,VEC/WEC, NGO, SHGৰ তথ্য লৈ তাৰ কাম কাজ জনা।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 8**

1. আম্বেদকাৰ প্ৰাথমিকশালা, কৃষিৰাড়ী, নৰসাৰীৰ পৰা গম পোৱা যায় যে যিবোৰ বিদ্যালয়ৰ লগত জড়িত নহয় সেইবোৰ বিদ্যালয়ৰ অৱস্থা তথা কাম-কাজ সন্তোষজনক নহয়। অন্যহাতে জবানটেকৰী প্ৰাথমিক বিদ্যালয় ভড'ডৰাৰ ৰাইজ বিদ্যালয়ৰ লগত সক্ৰিয়ভাৱে জড়িত আৰু তেওঁলোকে বিদ্যালয়ৰ বিভিন্ন কাম-কাজ যেনে পৰিষ্কাৰ পৰিচ্ছন্নতা, উপস্থিতি নিৰীক্ষণ আৰু ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক জ্ঞান আদিত জড়িত।
2. জবান টেকৰী প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ লগত বিদ্যালয়ৰ সম্পৰ্কত শিক্ষকে সহায় কৰিছিল নেকি?
3. আম্বেদকাৰ প্ৰাথমিক শালা, কৃষিৰাড়ী, নাভচাৰীত বিদ্যালয় পৰিচালনা সমিতি গঠন কৰাৰ প্ৰয়োজনীয়তা আছে আৰু তাত এনে সদস্য থাকিব লাগে যাৰ ল'ৰা-ছোৱালী সেই বিদ্যালয়ত পঢ়ে। অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্যৰ বাবে তেওঁলোকক প্ৰশিক্ষণ দিয়া দৰকাৰ। শিক্ষকে ৰাইজৰ লগত অধিক দৃঢ় সম্পৰ্ক ৰাখি বিদ্যালয়খনৰ চাফ-চিকুণতা, স্বাস্থ্য আৰু অনাময় কাৰ্যক্ৰম, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, বিদ্যালয় বহিৰ্ভুত শিশুৰ তথ্য আদি নিৰ্ণয় কৰাৰ চেষ্টাত ব্ৰতী হ'ব লাগে।

## 3.17 পাঠৰ শেষত অনুশীলন ঃ

1. ৰাইজে যে বিদ্যালয় শিক্ষাত বৰঙণি যোগাব পাৰে সেই বিষয়ে ছটা দিশ উল্লেখ কৰক।
2. বিদ্যালয়ৰ শিক্ষাত ৰাইজক কিদৰে আগবঢ়াই নিব পাৰি?
3. ৰাইজক চিনাক্ত কৰি জড়িত কৰা আৰু স্থানীয় সমলৰ ব্যৱহাৰ সম্বন্ধে আলোচনা কৰক।

******